পুৰন্দৰ আক্ৰমণ কৰি তাক অধিকাৰ কৰিলে, আৰু ন-কৈ অহা অস্ত্ৰ-বাহিনীৰ সহায়েৰে মাৰাথীসকলৰ সংগ্ৰাম-শক্তি মোগলে সমূলে ধ্বংস কৰিলে।

১৬৬৫ চনৰ জুন মাহত পুৰন্দৰ দুৰ্গ মোগলৰ হাতত পৰাত মিত্ৰতা বিচৰাৰ বাহিৰে শিবাজীৰ পক্ষে আন একো পথ নথকা হ'ল। তেওঁ জয়সিংহক আৰু দিলেৰ-খাঁক তেওঁলোকৰ বাহৰত লগ ধৰি নিজৰ কিছুমান দুৰ্গ আৰু ৰাজ্যৰ এছোৱা পূৰঠ অংশ মোগলক দিবলৈ স্বীকাৰ কৰিলে। জয়সিংহই শিবাজীক আগ্ৰালৈ যাবলৈ অনুৰোধ কৰিলে, আৰু দাক্ষিণাত্যৰ চুবেদাৰী পদকে আদি কৰি নানান পুৰস্কাৰৰ আশা দেখুৱালে। জয়সিংহই এবাৰ শিবাজীক কৈছিল—"মৰ্যাদাচ্যুত হিন্দুধৰ্ম্মক তুমি উদ্ধাৰ কৰি সংৰক্ষণৰ ব্যৱস্থা কৰাত মই তোমাৰ ওপৰত সন্তুষ্ট হৈছোঁ। ৰামসিংহ যেনে মোৰ পুত্ৰ তুমিও মোৰ তেনে পুত্ৰ"। মোগলৰ ৰাজধানীত শিবাজী নিৰাপদে থাকিব বুলি ৰামসিংহয়ো প্ৰতিজ্ঞা কৰিলে।

জয়সিংহ আৰু শিবাজীৰ মাজত হোৱা নিবন্ধ সম্ৰাট আওৰঙ্গজেৱে অনুমোদন কৰিলে, আৰু সম্ৰাটে ১৬৬৪ চনৰ ৫ মাৰ্চ তাৰিখে শিবাজীলৈ লিখিলে—"তোমাৰ প্ৰতি আমাৰ অতি শ্ৰদ্ধা, আৰু সময় ক্ষতি নকৰি তুমি ইয়ালৈ আহিবা বুলি আশা কৰিলোঁ। তোমাক দৰ্শন দিবৰ সময়ত মহা আতিথ্যেৰে তোমাক গ্ৰহণ কৰিম আৰু সোনকালে তোমাক নিজ দেশলৈ উভতি যাবলৈ দিম"। এইদৰে আশ্বাস পোৱাত ৰাজ্যৰ ভাৰ মাক জীজাবাই আৰু তিনিজন মুখিয়াল মানুহৰ হাতত সমৰ্পণ কৰি পুতেক শম্ভাজীৰে সৈতে শিবাজীয়ে আগ্ৰালৈ যাবলৈ স্থিৰ কৰিলে। আগ্ৰালৈ যোৱা প্ৰস্তাবটো শিবাজীৰ গুৰু ৰামদাসেও সমৰ্থন কৰিছিল। গুৰুৱে ভাবিছিল যে এনে কৰিলে শিবাজীয়ে সম্ৰাট আওৰঙ্গজেৱৰ সকলো সন্দেহ দূৰ কৰিব পাৰিব।

আগ্ৰালৈ যোৱাৰ আগতে শিবাজীয়ে বিজাপুৰৰ সমীপৱৰ্তী

বাহৰত জয়সিংহক লগ ধৰিলে। জয়সিংহই শিবাজীক অতি চেনেহেৰে অভ্যৰ্থনা জনালে, আৰু আগ্ৰালৈ যাওঁতে শিবাজীৰ লগত পুতেক ৰামসিংহক যাবলৈ কলে। শিবাজী যাতে নিৰাপদে থাকে তাকো চাবলৈ ৰামসিংহক আদেশ দিলে, আৰু দঢ়াই-বঢ়াই কলে যে শিবাজী আপদত পৰিলে ৰামসিংহই যেন তেওঁক সহায় কৰে। মোগলৰ ৰাজধানীলৈ যোৱা কালত শিবাজীয়ে সদায় ৰামসিংহৰ সঙ্গ লাভ কৰিছিল, আৰু আগ্ৰা পোৱাৰ সময়ত অম্বেৰৰ ৰাজ-কোঁৱৰজনা শিবাজীৰ অনুৰক্ত বন্ধু হৈ পৰিছিল।

আগ্ৰা পাওঁ-পাওঁ হওঁতে ৰামসিংহই সম্ৰাটক শিবাজী আহিছে বুলি বাতৰি দিবলৈ আগবাঢ়ি গ'ল। আওৰঙ্গজেৱে শিবাজীক তুৰন্তে বাদশ্যাহৰ চ'ৰালৈ লৈ যাবলৈ ৰামসিংহক আদেশ দিলে। শিবাজীক অভ্যৰ্থনা জনাবলৈ এজন মাত্ৰ বিষয়া ৰামসিংহৰ লগত গৈছিল, তেওঁৰ নাম আছিল মুখলিচ-খাঁ, তেওঁ আছিল কেবল দুহেজাৰ মনচবদাৰী নবাব মাথোন। শিবাজীক দেখুৱা এই প্ৰথম অভ্যৰ্থনা তেওঁৰ আশাৰ অনুযায়ী নাছিল।

১৬৬৪ চনত ১২ মেই তাৰিখে শিবাজী আৰু তেওঁৰ পুতেক শম্ভাজীক সম্ৰাটৰ চ'ৰালৈ নিয়া হ'ল। তেতিয়া চ'ৰাত মহা আড়ম্বৰেৰে নবাব মনচবদাৰসকল উপস্থিত আছিল। ৰামসিংহই শিবাজী আৰু শম্ভাজীক সম্ৰাটেৰে ভেট কৰালে। সিংহাসনৰ নামনিৰপৰা শিবাজীয়ে সম্ৰাটক চেলাম জনালে আৰু ডেৰকুৰি হেজাৰ টকাৰ নজৰাণা দিলে। অলপ কথা সোধাৰ পাচত আওৰঙ্গজেৱে শিবাজীক নি পাঁচহাজাৰী নবাবসকলৰ মাজত তেওঁলৈ থোৱা ঠাইত বহুৱাবলৈ ৰামসিংহক আদেশ দিলে।

এই অভ্যৰ্থনাত শিবাজীয়ে বিষম অসন্তোষ পালে। ইতিপূৰ্বে বিজাপুৰৰ সৈতে মোগলৰ ৰণত শিবাজীক দহ হাজাৰৰ মনচব দিয়া হৈছিল, আৰু তেওঁৰ পুতেক শম্ভাজী আৰু তলতীয়া সেনাপতি নেতাজী পালকাৰে পাঁচ হাজাৰৰ মনচব পাইছিল। শিবাজীয়ে

ৰামসিংহৰ ফালে চাই নিজৰ ক্ৰোধ মুক্তভাৱে প্ৰকাশ কৰিলে, আৰু ৰামসিংহই নিজে কৰা আৰু দেউতাক জয়সিংহই কৰা প্ৰতিজ্ঞাৰ কথা সোঁৱৰাই দিলে। তাৰ পাচত শিবাজী মুছকছ্ গ'ল আৰু তাৰ পৰিণামত সভাত থকা নবাবসকলৰ মাজত উহমিহ লাগিল। ৰামসিংহই সম্ৰাটক বুজালে যে শিবাজীৰ এই অশোভনীয় আচৰণৰ কাৰণ হৈছে মোগল ৰাজচ'ৰাৰ আদব-কায়দাৰ বিষয়ে স্বাভাৱিক অজ্ঞতা আৰু আগ্ৰা নগৰীৰ অসহনীয় গৰম।

এই ঘটনাৰপৰা সম্ৰাটে শিবাজীৰ বিদ্ৰোহী আৰু অদম্য মনোবৃত্তিৰ পৰিচয় পালে। তেওঁ কোনো প্ৰীতিভাৱ নেদেখুৱাই আৰু নজৰাণাৰ সলনি কোনো উপহাৰ নিদি শিবাজীক চ'ৰাৰপৰা বিদায় দিলে। তেওঁক নগৰৰ দুৰ্গৰ বাহিৰে অৱস্থিত আৰু তাজমহলৰ কাষত থকা জয়সিংহৰ প্ৰাসাদলৈ লৈ যোৱা হ'ল। শিবাজীক ৰখীয়া দিবৰ কাৰণে আগ্ৰাৰ কটোৱাল পোলাদ-খাঁৰ তলে গোটা-চেৰেক ডাঠ চাই প্ৰহৰী থোৱা হ'ল। শিবাজীক চোৱাৰ দায়িত্বভাৰ সম্ৰাটে ৰামসিংহক অৰ্পণ কৰিলে।

তেওঁৰ অৱস্থা যে সঙ্কটাপন্ন আৰু ই যে মৃত্যুৰ সম্ভাৱনাৰে পৰিপূৰ্ণ আজীৱন কাৰাবাসৰ সূচনা, তাক বুজিবলৈ শিবাজীৰ বাকী নাথাকিল। শিবাজীৰ সপক্ষে জয়সিংহ ৰজাই কৰা ব্যৱস্থাও এইদৰে ব্যৰ্থ হ'ল। আওৰঙ্গাবাদ বাহৰৰপৰা জয়সিংহই সম্ৰাটলৈ পত্ৰ দিলে যে শিবাজীক মিত্ৰ কৰি লব পাৰিলে ভাল, তাৰপৰা বাদশ্বাহী স্বাৰ্থ ৰক্ষা হব। শিবাজীৰ যাতে কোনো অনিষ্ট নহয়, আৰু যাতে তেওঁৰ আগত কৰা নিৰাপত্তাৰ আশ্বাসৰ কোনো ব্যতিক্ৰম নহয় তালৈ চকু ৰাখিবলৈ জয়সিংহই পুতেক ৰামসিংহলৈ পুনঃ-পুনঃ নিৰ্দেশ দিবলৈ ধৰিলে। ইতিমধ্যে আফজল-খাঁ আৰু ছায়িষ্টা-খাঁৰ লগত হোৱা সংঘৰ্ষৰ বিকৃত বৰ্ণনা শুনি সম্ৰাটৰ মন শিবাজীৰ প্ৰতি বিষাক্ত হৈ পৰিছিল। শিবাজীয়ে দাক্ষিণাত্যলৈ উভতি যাবলৈ অনুমতি বিচাৰি প্ৰাৰ্থনা জনাইছিল। সম্ৰাটে সেই

দৰ্খাস্তৰ প্ৰতি মন-কাণ নিদিলে, আৰু চূড়ান্তভাৱে অগ্ৰাহ্যও নকৰিলে। শিবাজীৰ হৈ ৰামসিংহই সম্ৰাটক অনুনয়-বিনয় কৰিলে। সম্ৰাটে ৰামসিংহক কলে যে এই বিষয়ে ৰজাই মাত মাতিবলৈ একো বাট নাই।

নিজৰ আশা-ভৰসা আৰু সঙ্কল্প আদি চূৰমাৰ হৈ যোৱাত, আৰু স্বাধীনতা লাভৰ সহজতে কোনো সম্ভাৱনা নেদেখি, আগ্ৰাৰ জয়সিংহৰ প্ৰাসাদত শিবাজী মনঃ-কষ্টত অস্থিৰ-অধীৰ হৈ পৰিল। তেওঁ বাহিৰে পাদশ্যাহৰ বশ্যতা মানি আৰু নিজৰ নিয়তিত আত্ম-সমৰ্পন কৰাৰ ভাও দেখুৱাবলৈ ধৰিলে। শিবাজীয়ে ওমৰাওসকলৰ প্ৰতি মিঠাবালি দেখুৱাই উপহাৰ আদি দি সন্তুষ্ট কৰিলে। শিবাজী সম্পৰ্কে পাদশ্যাহৰ কি উদ্দেশ্য তাৰ বিষয়ে বিশ্বাসযোগ্য বাতৰি সংগ্ৰহ কৰাত ৰামসিংহই অজস্ৰ ধন ব্যয় কৰিবলৈ ধৰিলে। পোলাদ-খাঁৰ অট্টালিকা নিৰ্মাণ সমাপ্ত হলে শিবাজীক তাত থবলৈ সম্ৰাটে প্ৰস্তাৱ কৰিলে। ৰামসিংহই এই সঙ্কল্পৰ কথা শুনি শিবাজীক জনালে।

এই সঙ্কটাপন্ন অৱস্থাৰপৰা ৰক্ষা পৰিবৰ কাৰণে নিজৰ বুদ্ধি-কৌশলৰ বাহিৰে শিবাজীৰ আন একো উপায় নোহোৱাত পৰিল। তেওঁ এটি মুক্তিৰ পথ নিৰ্ধাৰণ কৰিলে, এয়ে তেওঁৰ প্ৰতিভাৰ সুনিপুণ উদ্ভাৱনা আছিল, কাৰণ ইয়াক অবলম্বন কৰি তেওঁ কৌশলী আৰু সতৰ্ক সম্ৰাটৰ চকুত ধূলি মাৰিব পাৰিলে। নিজৰ লগত অহা মানুহক দাক্ষিণাত্যলৈ ওভোতাই পঠিয়াবৰ কাৰণে শিবাজীয়ে সম্ৰাটৰপৰা অনুমতি ললে। মোগল ৰাজধানীত থকা কালত নিয়মীয়া খৰচ কৰি টকা বচাই তাৰে পোহপাল দিব পাৰিম বুলি শিবাজীয়ে তেওঁৰ মহিষীকেগৰাকীক আৰু মাতৃক লগলৈ আনিবলৈ প্ৰস্তাৱ কৰিলে। এই প্ৰস্তাৱৰ কথা শুনি শিবাজীৰ কট্‌কিন স্বভাৱৰ নিমিত্তে সম্ৰাটে হাঁহি এটা মাৰিলে। ব্ৰাহ্মণ আৰু পীৰসকললৈ মিষ্টান্ন আৰু দক্ষিণী প্ৰণালী মতে যুগুত কৰা খাদ্য-বস্তু

পঠিয়াবলৈ শিবাজীয়ে ইচ্ছা কৰিলে। ৰামসিংহ আৰু বালাজী-আওজী চিভনিচে বিত্তমন্ত্ৰী ৰাহুল্লা-খাঁক গৈ ধৰিলে, আৰু তেওঁৰ সহায়েৰে শিবাজীৰ ঘৰৰপৰা মিষ্টান্ন আৰু আহাৰ-পাতিৰ পাচি বাহিৰলৈ পঠিয়াবলৈ সম্ৰাটৰ অনুমতি পালে। বিৰাট ডাঙৰ খোৱা বস্তুৰে ভৰা বাঁহ-বেতৰ পাচি প্ৰাসাদৰ বাটৰ দুৱাৰেদি বাহিৰলৈ যাব ধৰিলে। শিবাজীৰ বন্ধুসকলেও এনেকি ভিতৰলৈ উপহাৰ পঠিয়ালে। পোনতে পোলাদ-খাঁৰ প্ৰহৰীয়ে সেই পাচিবোৰ তন্ন-তন্নকৈ চাইছিল, কিন্তু পাচলৈ এইদৰে অহা-যোৱা কৰা নিত্য-নৈমিত্তিক কাম বুলি প্ৰহৰীয়েও ঢিলা দিবলৈ ধৰিলে। ৰখীয়া-ইঁতকো উপহাৰ আৰু মিষ্টান্ন দি সন্তোষ কৰিলে, সিহঁতে ভাবিলে যে শিবাজী এজন অতি দয়াশীল লোক, তেওঁক পাদশ্বাই নিষ্ঠুৰভাৱে বন্দী কৰি থৈছে। সিহঁতে কিছুমান পাচি পৰীক্ষা কৰি সকলো-বোৰক বাহিৰলৈ পঠিয়াবলৈ অনুমতি দিলে। তাৰ পাচত শিবাজীয়ে নৰিয়া ভাও ধৰি আগ্ৰাত থকা ভাল ভাল বৈদ্যসকলক মাতি পঠিয়ালে। দিনচেৰেকৰ পাচত সুস্থ হৈছে বুলি শিবাজীয়ে প্ৰচাৰ কৰিলে, আৰু যাতে তেওঁৰ আৰোগ্য লাভৰ কাৰণে আনন্দ দেখুৱাব পাৰে তাৰ কাৰণে শিবাজীয়ে সৰহকৈ মিষ্টান্নৰ পাচি বাহিৰলৈ পঠিয়াবলৈ ধৰিলে। ব্ৰাহ্মণসকলে শ্ৰীকৃষ্ণক কৰা স্তুতি-মিনতিৰ নিমিত্তে শিবাজী সুস্থ হৈছে, ইয়াৰ কাৰণে তেওঁলোকলৈ উপহাৰ স্বৰূপে মথুৰাৰ বাটেদি তিনিটা ঘোঁৰা পঠিয়ালে।

১৬৬৬ চনৰ ১৯ আগষ্ট তাৰিখে শিবাজী আৰু পুতেক শম্ভাজী দুটা পাচিৰ ভিতৰত সোমাল, আৰু তেওঁলোকক দুৱাৰেদি বাহিৰলৈ পাৰ কৰি নিয়া হ'ল। পহৰীয়াবিলাকৰ মাজেদি পাৰ হৈ যাওঁতে সিহঁতে একো সন্দেহ কৰা নাছিল। আগ্ৰাৰ বাহিৰলৈ গৈ শিবাজী আৰু পুতেক পাচিৰপৰা ওলাল, আৰু শিবাজীয়ে পঠোৱা তিনিটা ঘোঁৰাৰে বাট চাই থকা বিশ্বাসী বন্ধুসকলৰ লগ ধৰিলেগৈ। তাৰপাচত তেওঁলোকে মথুৰালৈ গৈ মগনীয়া সন্ন্যাসীৰ ছদ্মবেশ

ধৰিলে। আল্লাহাবাদ, বাৰাণসী, পুৰী, গন্দোৱানা, হাইদাৰাবাদ আৰু বিজাপুৰ ৰাজ্যৰ মাজেদি গৈ, ১৬৬৬ চনৰ ডিচেম্বৰ মাহৰ শেষ ভাগত শিবাজীয়ে পুণা পালে। তেওঁ ছদ্মবেশ পৰিত্যাগ কৰি উভতি অহাৰ কথা সকলোকে জনালে। পুণাবাসী আনন্দত মতলীয়া হ'ল। বিষয়া আৰু সৈন্যসকলে হেজাৰে-হেজাৰে গৈ শিবাজীক অভিনন্দন জনালে, আৰু তেওঁৰ মুখৰপৰা পলাই অহাৰ সাঙ্গোপাঙ্গ কাহিনী শুনিলে।

শিবাজী পলোৱাৰ কাৰণে আগ্ৰা-নগৰীত চাঞ্চল্যৰ সৃষ্টি হ'ল। আওৰঙ্গজেৱে শিবাজীৰ সন্ধান লৈ তেওঁক বিচাৰি উলিয়াবৰ নিমিত্তে সকলো স্থানীয় বিষয়ালৈ আদেশ-জাৰি কৰিলে। সম্ৰাটৰ আদেশ অনুসাৰে শিবাজীক চোৱাৰ দায়িত্ব আছিল ৰামসিংহৰ ওপৰত, গতিকে শিবাজী পলোৱাৰ কাৰণে তেওঁকে জগৰীয়া বুলি ভাবিলে। জনচেৰেক মাৰাথী ব্ৰাহ্মণক ধৰি সোধাত তেওঁলোকে কলে যে ৰামসিংহই উপদেশ দি আৰু ইচ্ছামতে অৱহেলা কৰি শিবাজীক পলুৱাইছে। ৰামসিংহই যিদৰে শিবাজীৰ লগত মিতিৰালি কৰিছিল, আৰু যিদৰে তেওঁৰ পক্ষ সমৰ্থন কৰিছিল তাৰপৰা ৰামসিংহৰ সহযোগ আছে বুলি সম্ৰাটে ততালিকে বিশ্বাস কৰিছিল। পাদশ্যাহৰ চ'ৰালৈ আহিবলৈ নিদি আৰু কিছুদিনৰ পাচত তেওঁৰ মৰ্যাদা আৰু দৰ্মহা কাঢ়ি নি সম্ৰাটে ৰামসিংহক শাস্তি বিধান কৰিলে।

ৰামসিংহৰ দেউতাক জয়সিংহই পুতেকৰ অপমানত মৰ্মান্তিক দুখ পালে। এই সময়ত লিখা এখন চিঠিত তেওঁ কৈছিল, বোলে "তেওঁৰ বৰ্ত্তমান দুৰ্ভাগ্য হৈছে নিয়তীৰ অখণ্ডনীয় প্ৰভাৱ।" জয়সিংহই পত্ৰত আৰু লিখিছিল, বোলে,—"পাদশ্যাহৰ চ'ৰাত থকা প্ৰতিনিধিৰ পত্ৰৰ পৰা মই গম পাইছোঁ যে সম্ৰাটে ৰামসিংহৰ মনচৱ আৰু জাইগীৰৰপৰা বৰখাস্ত কৰিব খোজে"। ইয়াৰ কাৰণ এই যে স্বাৰ্থপৰ মানুহৰ অভিসন্ধিত পৰি শিবাজীৰ ব্ৰাহ্মণ অনুচৰে

কৈছে যে,—"ৰামসিংহৰ উপদেশ আৰু সতৰ্কতাৰ অভাবতহে শিবাজীয়ে পলাব পাৰিছে। ৰামসিংহৰ অন্তৰত এনে বিশ্বাস-ঘাতকতা আছে বুলি যি মানুহে ভাবিব পাৰে তেওঁক যেন ভগবানে মৃত্যু-অভিশাপ দিয়ে"।

শিবাজী পলাই যোৱাৰ পাচত কিছুকাল বিজাপুৰৰ বিৰুদ্ধে যুদ্ধ কৰি জয়সিংহ দক্ষিণাত্যত থাকিল। তেওঁৰ ধন, মানুহ আদি কৰি সকলো আহিলা-পাতিৰ ওৰ পৰিবলৈ ধৰিলে। তেওঁ ন-কৈ সৰঞ্জাম-পাতি বিচাৰি সম্রাটলৈ আবেদন জনালে, সম্রাটে তালৈ ভ্ৰূক্ষেপ নকৰিলে। আওৰঙ্গজেৱৰ সন্দেহ হৈছিল যে জয়সিংহই শিবাজীৰ সৈতে লগ হৈ পাদশ্যাহী সৈন্যৰ বিৰুদ্ধে অস্ত্ৰ ধাৰণ কৰিব। আওৰঙ্গজেৱৰ পক্ষে এনে ধৰণৰ উদাসীনতা আৰু সন্দেহৰ কাৰণে জয়সিংহই ভাবিছিল যে বিজাপুৰৰ সংগ্ৰামত অপমানজনকভাৱে পৰাজিত হব লগীয়া ৰাজপুত বীৰসকলৰ প্ৰাণহানি ঘটোৱা এটা পুৰস্কাৰবিহীন কাম। সেইদেখি জয়সিংহই সৈন্য-সামন্ত আওৰঙ্গবাদলৈ ঘোঁহোঁকাই আনিলে। শিবাজীয়ে এৰি দিয়া দুৰ্গবোৰ জয়সিংহই অতি কষ্টেৰেহে মানুহ আহিলা-পাতি দি ৰক্ষা কৰিবলৈ সমৰ্থ হৈছিল।

বিজাপুৰৰ যুদ্ধত কৃতকাৰ্য হব পৰা নাই, আৰু ৰামসিংহই উপায় বুদ্ধি দি শিবাজীক পলুৱাইছে, এই দুই অপৰাধত সম্রাটে দাক্ষিণাত্যৰ চুবেদাৰীৰপৰা জয়সিংহক আঁতৰাই সেই পদত চুলতান মোৱাজ্জেমক নিযুক্ত কৰিলে। চুলতানৰ লগত দুৱলীয়া সেনাপতি স্বৰূপে যাবৰ কাৰণে সম্রাটে যশোৱন্তসিংহক আদেশ দিলে।

১৬৬৭ চনৰ মে মাহত জয়সিংহক দাক্ষিণাত্যৰ চুবেদাৰ পদৰপৰা আনুষ্ঠানিকভাৱে বিচ্যুত কৰা হ'ল। সম্রাটৰ আদেশ মতে, ভগ্নহৃদয় আৰু হতাশ হৈ, আৰু বৃদ্ধ বয়স, পৰিশ্ৰম আৰু অপমানত জৰ্জৰিত হৈ জয়সিংহই মোগল ৰাজধানী অভিমুখে যাবলৈ ধৰিলে, কিন্তু ১৬৬৭ চনৰ ২ জুলাই তাৰিখে বৰহনপুৰ নামে ঠাইত মীৰ্জাৰজা

জয়সিংহৰ মৃত্যু হ'ল। আওৰঙ্গজেৱৰ কথামতে দ্বিতীয় পুতেক কিৰাতসিংহই দেউতাক জয়সিংহক বিহ খুৱাই মাৰিলে বুলি কিছুমান মানুহে বিশ্বাস কৰিছিল। জয়সিংহৰ প্ৰতি আওৰঙ্গজেৱৰ আচৰণৰ প্ৰতিক্ৰিয়া স্বৰূপে মানুহে সম্রাটৰ হকে জয়সিংহই কৰা হিতকৰ কাৰ্যাৱলী স্মৰণ কৰিছিল। এই কথা ইটালীয় পৰিব্ৰাজক নিকলাও মেনুক্কিৰপৰা জানিব পৰা যায়। তেওঁ জয়সিংহ ৰজা আৰু পুতেক কিৰাতসিংহৰ তলত অস্ত্ৰ-শালৰ কৰ্মচাৰীৰূপে চাকৰি কৰিছিল। ৰামসিংহ অসমত থকা কালত তেওঁৰ মাতৃদেবী আৰু মহিষীয়ে যিখন চিঠি লিখিছিল তাতো এই প্ৰতিক্ৰিয়া ফুটি ওলাইছে।

জয়সিংহৰ মৃত্যুৰ পাচত ৰামসিংহ অম্বেৰৰ সিংহাসনত বহিল। আওৰঙ্গজেৱে কিৰাতসিংহ ৰজা হোৱাটো সমৰ্থন কৰিছিল, কিন্তু প্ৰজাসকলে কিৰাতসিংহ পিতৃহন্তা বুলি ভাবি তেওঁক ৰজা মানি লবলৈ স্বীকাৰ নকৰিলে।

আওৰঙ্গজেৱ এজন সুচতুৰ ৰাজনীতিজ্ঞ পুৰুষ আছিল। ৰাজপুতৰ অসন্তুষ্টিক অনিৰ্দিষ্ট কাললৈ জীয়াই থাকিবলৈ দিয়া আপদশূন্য নহয় বুলি সম্রাটে উপলব্ধি কৰিলে। ৰামসিংহৰ ওপৰত ৰাজঅনুগ্ৰহ বৰ্ষণ কৰা হ'ল, তেওঁ ৰজা উপাধি আৰু চাৰিহেজাৰৰ মনচব ওভোতাই পালে। তাৰ উপৰিও সম্রাটে তেওঁক এইবোৰ বস্তু উপহাৰ দিলে,—চিৰপাও এসাজ, বাখৰ পতা তৰোৱাল এখন, মুকুতাৰ মণি এধাৰ, সোণৰ জিনেৰে আৰ্বী ঘোঁৰা এটা, সোণৰ গাৰী দিয়া কাপোৰ, আৰু অলঙ্কাৰেৰে সজোৱা হাতী এটা। ৰামসিংহই শিবাজী পলোৱাত সহায় কৰা কথা সম্রাটে পাহৰিব পৰা নাছিল, যদিচ তেওঁ অম্বেৰৰ নতুন ৰজা ৰামসিংহক দিয়া উপহাৰ আৰু পদবীৰ আড়ম্বৰৰ আৱৰণেৰে নিজৰ প্ৰকৃত মনোভাব লুকাই ৰাখিবলৈ চেষ্টা কৰিছিল।

১৬৬৭ চনৰ শেষভাগত, অসমৰ গুৱাহাটী আক্ৰমণ, মোগলৰ পৰাজয়, আৰু মোগলক নামনি অসমৰপৰা বহিস্কাৰ, আৰু গুৱা-

হাটীৰ থানাদাৰ চৈয়দ ফিৰোজ-খাঁক ধৰি নিয়া, এইবোৰ বাৰ্তা সম্ৰাটে শুনা পালে। তেওঁ অসমক শাস্তি দিবলৈ মন কৰি সেই ৰাজ্যৰ বিৰুদ্ধে পঠোৱা পাদশ্যাহী সৈন্যৰ সেনাপতি ৰূপে ৰামসিংহক নিযুক্ত কৰিলে।

মোগল সাম্ৰাজ্যৰ মানুহৰ কল্পনাত অসম এখন জঁয়াৰ, আৰু অস্বাস্থ্যকৰ ঠাই বুলি পৰিগণিত হৈছিল, ইয়াৰপৰা কম মানুহেহে ভালে-কালে উভতি যাব পাৰিছিল। অসম এৰি যোৱাৰ অলপ পাচতে নবাব মীৰজুমলাৰ মৃত্যু হোৱাত এই জনমত বদ্ধমূল হৈ পৰিছিল। শিবাজীক সমৰ্থন কৰাৰ শাস্তি স্বৰূপে ৰামসিংহক অসমৰ বিৰুদ্ধে পঠোৱা হৈছে বুলি সৰ্বসাধাৰণে ভাবিছিল। চাৰ যদুনাথ চৰকাৰে কৈছে,—“অসমত চাকৰি কৰাটো অতিশয় অপ্ৰিয় আছিল, আৰু বাধ্য নকৰিলে কোনো সৈন্যই অসমলৈ যাব নুখুজিছিল। মুঠতে কবলৈ গ'লে, আগ্ৰাত বন্দী অবস্থাৰ পৰা পলোৱাত ৰামসিংহই সহায় কৰাৰ শাস্তি স্বৰূপে তেওঁক অসমলৈ পঠোৱা হৈছিল বুলি ভাবিবলৈ যথেষ্ট কাৰণ আছে।” পৰিব্ৰাজক মেনুক্কিয়েও এই মতকে সমৰ্থন কৰিছে,—“শিবাজী পলোৱাৰ প্ৰতিহিংসা হিচাবে জয়সিংহৰ ডাঙৰ পুতেক ৰামসিংহক অসমলৈ পঠাইছিল। সম্ৰাটে জানে যে অসমলৈ গৈ মীৰজুমলাৰ যেনে দুৰ্যোগ ঘটিল, ৰামসিংহৰো একে দশা হব”। সমসাময়িক অসম বুৰঞ্জীবিলাকতো এই মতকে উল্লেখ কৰা হৈছে।

শিবাজীৰ উপৰিও আন এজন সুপ্ৰসিদ্ধ নেতাই ৰামসিংহৰ সহায়েৰে মুক্তি লাভ কৰিছিল। ৰামসিংহৰ ওপৰত আওৰঙ্গজেবৰ অসন্তোষ হোৱাৰ ইয়েই দ্বিতীয় কাৰণ হ'ল। এখন পুৰণি অসম বুৰঞ্জী মতে শিখগুৰু টেগবাহাদুৰে পাদশ্যাহৰ ক্ষমতা নানানি নানা-ধৰণৰ অবৈধ মত প্ৰচাৰ কৰি ভ্ৰমি ফুৰিছিল। তাতে ব্ৰাহ্মণ ভট্টাচাৰ্য-সকলৰ ক্ৰোধ আৰু আক্ৰোশ হ'ল। গুৰু টেগবাহাদুৰে ডেৰকুৰি হাজাৰ নানকপন্থী চিপাহী লগত লৈ দেশ লণ্ড-ভণ্ড কৰি ফুৰিছে বুলি

অভিযোগ হ'ল। সম্রাটে গুৰুক মৃত্যুদণ্ডৰ আদেশ দিলে, গুৰুৱে ৰামসিংহৰ শৰণাগত হ'ল, ৰামসিংহই জামিন হৈ গুৰুক ৰাখিলে। অলপ দিনৰ পিচতে গুৰু বন্দীৰপৰা পলালত সম্রাটে তাৰ নিমিত্তে ৰামসিংহক জগৰীয়া কৰিলে। ৰামসিংহই কলে,—"গুৰু টেগ-বাহাদুৰনো কোন মানুহ? ৰজা আৰু নবাবৰ মৰ্যাদাৰ মানুহহে সম্রাটৰ খঙৰ পাত্ৰ। তেওঁ এজন নগনীয়া ফকীৰ, তেওঁ পলাই যোৱা বাবে মোক দায় দিলে লোকে হাঁহিব"। এই কথা শুনি সম্রাটে মনৰ অসন্তোষ মনতে ৰাখিলে আৰু কচ্ছোৱা ৰজাসকলে মোগলক কৰা সহায়ৰ কথা সুঁৱৰি ৰামসিংহক তেতিয়া একো শাস্তি নিদিলে। শাস্তি দিলে তাৰ পৰিণাম স্বৰূপে ৰজাসকলে গোট খাই মোগলৰ বিৰুদ্ধে সংঘবদ্ধভাৱে ষড়যন্ত্ৰ কৰিব পাৰে বুলিও সম্রাটে শঙ্কা কৰিছিল।

ওপৰত কোৱা মতে, অসমত মোগলৰ পৰাভৱৰ কথা শুনি সম্রাটে এটি সুবিধা পালে। অসম বুৰঞ্জীত এইদৰে আছে,—"এই বাৰ্তা শুনি সম্রাটে ৰামসিংহক কলে বোলে, মান্ধাতাৰ পুতেক জয়সিংহ ৰজাই বঙালা যুদ্ধ কৰি তাক বশ কৰিছে, এতিয়া তুমি অসমৰ যুদ্ধলৈ যোৱা। ৰজাক এইদৰে কোৱাৰ কাৰণ হ'ল এই, অসমৰ যুদ্ধলৈ গলে এটি নবাবো ফিৰি নাহে, খেটো আপুনি মৰে, খেটো বগত পৰে। অসমৰ পানী বিহ, বতাহ বেয়া, পৰ্বতবোৰো হাবি, এতেকে অসমলৈ গৈ ৰামসিংহ মৰক। এই মন্ত্ৰণা কৰি ৰামসিংহক পঠাই দিলে।"

ৰামসিংহই গুৰু টেগবাহাদুৰক সমৰ্থন কৰাৰ কথা শিখৰ বুৰঞ্জী-লেখক জে, ডি, কানিংহাম চাহাবে, গুৰুমুখী ভাষাত লিখা টেগ-বাহাদুৰৰ জীৱন-চৰিত এখনৰ আলম লৈ কৈছে,—"ক্ষমতাকাঙ্খী আৰু শান্তিভঙ্গকাৰী ৰূপে গুৰুক দিল্লীলৈ মাতি অনা হ'ল। কিন্তু তেওঁ জয়পুৰ বা অম্বৰৰ ৰজাক সহায়দাতাৰূপে লাভ কৰিলে। ৰজাই গুৰুৰ হৈ মাতিলে, আৰু সম্রাটক বুজালে যে ৰাজক্ষমতা লাভ কৰিবলৈ নিবিচাৰি এনে সন্ত পুৰুষে তীৰ্থ যাত্ৰা কৰিবলৈহে বাঞ্ছা

কৰে"। অলপতে বঙ্গলৈ যাবলগীয়া হোৱাত ৰামসিংহই টেগ-বাহাদুৰক নিজৰ লগত নিবলৈ মন কৰিলে। অসমৰ বিৰুদ্ধে অভিযানত ৰামসিংহৰ লগত গুৰু টেগবাহাদুৰো আহিল। তেওঁ ব্ৰহ্মপুত্ৰৰ তীৰত ভগবানক আৰাধনা কৰিছিল।

গুৰু টেগবাহাদুৰক লগত আনি ৰামসিংহই নিশ্চয় ভাবিছিল যে গুৰুৰ প্ৰভাৱত সৈন্যবোৰ শান্ত হৈ থাকিব আৰু তেওঁ সিহঁতৰ উদ্ধতালিক প্ৰতিৰোধ কৰিব পাৰিব। ধুবুৰীৰ গুৰুদ্বাৰ দমদমেৰ মহন্তৰ হাতত থকা এখন পুথিৰপৰা জনা যায় যে গুৰুৱে কামৰূপীয়া যাদু-মন্ত্ৰৰ পৰিণামৰপৰা ৰামসিংহক ৰক্ষা কৰিবলৈ সমৰ্থবান হব। এই যাদু-মন্ত্ৰৰ বাবে গোটেই ভাৰততে অসম জনাজাত আছিল। ৰামসিংহই ভাবিছিল যে তেওঁলোকৰ ওপৰতো এই যাদু-মন্ত্ৰ প্ৰয়োগ কৰা হব। সেই একে উদ্দেশ্যেৰে ৰামসিংহই পাঁচজন মুছলমান পীৰকো অসমলৈ আনিছিল—চাহ-আকবৰ, চাহ-বাগমাৰ, চাহ-চৰণ, চাহ-ছফি আৰু চাহ-কামাল। ধুবুৰীত পাঁচপীৰৰ দৰগা নামে এটি মুছলমান কবৰ এতিয়াও আছে, তাত চাহ-আকবৰ ফকীৰৰ দেহাৱশেষ গোৰ দিয়া হৈছিল।

গুৰুমুখী ভাষাত লিখা শিখৰ বুৰঞ্জীসমূহৰ মতে ৰামসিংহই নিজৰ উপদেষ্টা আৰু সৈন্যবৃন্দক লগত লৈ পাটনাত গুৰু টেগ-বাহাদুৰৰ লগ ধৰিলেগৈ, আৰু গুৰুৰ আশ্ৰয় আৰু আশীৰ্বাদ ভিক্ষা কৰিলে। ৰামসিংহই ৰজা মানসিংহৰ কামৰূপ অভিযানৰ কথা বিবৰি কলে বোলে,—"হে সৎগুৰু, হিন্দুস্থানৰ আমি ৰজাসকল সম্ৰাট আকবৰৰ বশীভূত আছিলোঁ। কামৰূপৰ ৰজা মাথোন বিদ্ৰোহী হৈ সম্ৰাটক অমান্য কৰিলে। এজন সাহসী সেনাপতিয়ে সৈন্য-বাহিনী লগত লৈ কামৰূপ জয় কৰিব লাগে বুলি সম্ৰাটে ইচ্ছা প্ৰকাশ কৰিলে। অতি সাহসী মুছলমান বিষয়াসকলক সম্ৰাটৰ অভিবাঞ্চা জনোৱা হ'ল, কিন্তু কোনেও কামৰূপ যুদ্ধলৈ যাবলৈ আগ নাবাঢ়িল। আনপক্ষে তেওঁলোকে ক'লে যে দুৰ্জয় যাদু-বল

থাকিলেও সম্রাটৰ প্ৰস্তাৱ চৰিতাৰ্থ কৰা অসম্ভৱ।" এই সম্পৰ্কে মানসিংহৰ নাম উল্লেখ কৰা হ'ল, আৰু তেওঁকে সম্ৰাটে কামৰূপ অভিযানৰ সেনাপতি পাতিলে। ৰামসিংহই কবলৈ ধৰিলে,—"কেবা যোজন ব্যাপী সীমান্তত মানসিংহই টামিঘৰা উভিলে, আৰু কামৰূপৰ মানুহৰ যাদু-মন্ত্ৰৰ সত্বেও তেওঁ কৃতকাৰ্য হ'ল। অসমত থকা কালত নবাব মীৰজুমলাৰ সৈন্য-সামন্তৰ কেনে বিপৰ্যয় ঘটিল, কেনেকৈ তেওঁৰ অশ্বাৰোহী সৈন্য ধ্বংস হ'ল, কেনেকৈ তেওঁৰ পদাতিক সৈন্য মৰি অন্ত পৰিল, আৰু ঢাক্কা পোৱাৰ পূৰ্বেই যন্ত্ৰণা আৰু ভাগৰত নবাব কেনেকে মৃত্যু-মুখত পৰিল, তাকো ৰামসিংহই সবিশেষ বৰ্ণনা কৰিলে।"

তাৰ পাচত ৰামসিংহই সম্ৰাটে তেওঁক দিয়া আদেশৰ কথা কলে, বোলে, "অসমৰ ৰণলৈ সম্ৰাটৰ মন্ত্ৰীসকলে মোক পঠিয়াবলৈ পৰামৰ্শ দিছে। তেওঁলোকে কৈছে যে অসম জয় কৰিব পাৰিলে এখন নতুন ৰাজ্য মোগল সাম্ৰাজ্যৰ অন্তভু্ক্ত হব। আৰু মই যদি যুদ্ধত নিহত হওঁ তেন্তে সম্ৰাটে সমগ্ৰ ৰাজপুতনা মোগল সাম্ৰাজ্যৰ চামিল কৰি লব পাৰিব। তেওঁলোকৰ কথা শুনি সম্ৰাটে মোক মাতি পঠিয়াই কামৰূপৰ বিৰুদ্ধে যাবলৈ আদেশ দিছে"। তেওঁৰ মাতৃদেবী আৰু পত্নীসকলে এই বাৰ্তা পাই আতঙ্কিত হোৱাৰ কথাও ৰামসিংহই কলে। ৰামসিংহই গুৰু টেগবাহাদুৰৰ আগত আৰু বুজালে, "অকালতে প্ৰাণ এৰিবলৈ মই ইচ্ছা কৰোঁ নেকি বুলি তেওঁলোকে সুধিলে। মীৰজুমলাৰ দৰে সাহসী বীৰ আন কোনো নাছিল, তেওঁ যদি এনেকৈ মৃত্যুৰ গৰাহত পৰিবলৈ পালে তেন্তে মোৰনো কি আশা আছে ? অসমলৈ যোৱা সেনাপতিসকলৰ ভিতৰত ৰজা মানসিংহৰ বাহিৰে আন কোনো উৰতি অহা নাই। মই মোৰ সঙ্কটপূৰ্ণ অৱস্থাৰ কথা ভালকৈ উপলব্ধি কৰিব পাৰিলোঁ, আক্ৰমণী সৈন্যৰ নেতৃত্ব গ্ৰহণ কৰিলে মৃত্যু অনিবাৰ্য, আৰু সম্ৰাটৰ আজ্ঞা অবমাননা কৰাটোও মাৰাত্মক"।

ৰামসিংহই কলে যে তেওঁৰ প্ৰধান মহিষীয়ে তেওঁৰ এই সমস্যাৰ সমিধান দিছে। তেওঁ গৈ গুৰু টেগবাহাদুৰৰ আশ্ৰয় লব লাগে, গুৰু টেগবাহাদুৰ এতিয়া গুৰু নানকৰ গাদীত বহিছে, মহিষীৰ পূৰ্বপুৰুষসকল শিখগুৰুৰ শিষ্য আছিল। ৰামসিংহ ৰজাই স্বীকাৰ কৰিলে যে ৰাণীৰ উপদেশে তেওঁক সান্ত্বনা দিলে, আৰু তেওঁৰ মনলৈ পুনৰ শান্তিৰ ভাৱ উভতি আহিল।"

গুৰুৱে ৰামসিংহক অবিৰতভাৱে ভগবানৰ নাম আৰাধনা কৰিবলৈ উপদেশ দি কলে,—"গুৰু নানক প্ৰভুৱে তোমাক সহায় কৰিব, আৰু তুমি কামৰূপ জয় কৰিব পাৰিবা।" গুৰুৰ আশীৰ্বাদ লভি ৰামসিংহ পৰম হৰ্ষযুক্ত হ'ল। তেওঁ বিধিমতে প্ৰাৰ্থনা কৰি সমবেত মানুহৰ মাজত পবিত্ৰ খাদ্য বিলালে। তাৰপাচত চৰণ-পহুল ৰীতি সম্পন্ন কৰি ৰামসিংহই গুৰু টেগবাহাদুৰৰ হাতত শিখ ধৰ্মত আনুষ্ঠানিকভাৱে দীক্ষিত হ'ল। ৰামসিংহই অভিযানৰ সঙ্গী-হবলৈ গুৰুক অনুৰোধ কৰিলে আৰু সেই মতে গুৰু যাবলৈ মান্তি হ'ল। পাচলৈ গুৰুৱে স্বীকাৰ কৰিছিল যে তেওঁ তিনি উদ্দেশ্যে ৰামসিংহৰ লগত আহিছিল, ৰজাৰ বন্ধু স্বৰূপে, ভগবানৰ বাণী প্ৰচাৰক, আৰু শোণিতক্ষয়ৰ নিবোধক স্বৰূপে।

সৈন্য অহা সকলো ঠাইতে গুৰুৱে শিখ ধৰ্ম প্ৰচাৰ কৰিছিল। ৰামসিংহ কিছুদিন ঢাকাত থাকিল, তাত বঙ্গচুবেদাৰ নবাব ছায়িষ্টা-খাঁয়ে অতি চেনেহেৰে অভ্যৰ্থনা কৰিলে। ছায়িষ্টা-খাঁ জয়সিংহ ৰজাৰ অন্তৰঙ্গ বন্ধু আছিল। নবাবে ৰামসিংহক মূল্যবান হাতী আৰু ঘোঁৰা উপহাৰ দিলে, আৰু লগতে আঢ়ৈকুবি হাজাৰ টকাৰ মূল্যৰ খঞ্জৰ নামে এখন তৰোৱালো দিলে। অসমৰ দূষিত বতাহ আৰু বিষাক্ত পানী সম্বন্ধে সাৱধান হবলৈ ছায়িষ্টা-খাঁই ৰামসিংহক সতৰ্ক কৰি দিলে। আৰু অসমৰ তিৰোতাক মহলৈ আনিবলৈ হাক দিলে, বোলে,—"সেই ঠাইৰ তিৰোতাসকল অতি মন্দকৰ্মী।" খাদ্যৰ সম্ভাৰ আৰু যুদ্ধৰ আহিলা-পাতি টুটাৰ বাৰ্তা পালে তাকো পঠিয়াবলৈ ছায়িষ্টা-খাঁই গাত ললে।

ঢাকাত থাকোঁতে গুৰু টেগবাহাদুৰে বালুকী নামৰ এজন মানুহৰ অতি ভক্তিমতী মাতৃক লগ পালে। ঢাকাৰপৰা গৈ অসমৰ সীমান্তত থকা মোগলৰ থানা ৰঙামাটি পালেগৈ। কামৰূপৰ ৰজা এজনে যাদু-মন্ত্ৰৰ সহায়েৰে ৰামসিংহক পৰাভৱ কৰিবলৈ চেষ্টা কৰিছিল, কিন্তু একো কৰিব নোৱাৰিলে। ইয়াৰ পাচত অসমীয়াই মায়াবিদ্যাত সুনিপুণ কামৰূপৰ কিছুমান তিৰোতাক লগালে, কিন্তু ৰামসিংহৰ লগত গুৰুজন থকাত এই তিৰোতাসকলে একো অনিষ্ট সাধিব নোৱাৰিলে। ৰজাজনে উপায় নেপাই কামাখ্যালৈ পূজা আগবঢ়ালে, আৰু ৰামসিংহক পৰাস্ত কৰিবলৈ আয়োজন কৰিলে। কিন্তু গুৰুজনে মাজত সোমাই দুয়োৰো ভিতৰত মিত্ৰতা স্থাপন কৰিলে।

তাৰ পাচত ৰামসিংহৰ সৈন্য-সামন্ত ধুবুৰীত আহি ৰলহি। গুৰু টেগবাহাদুৰে কৈছিল যে এই ধুবুৰীলৈ গুৰু নানকজীও আহিছিল। গুৰু টেগবাহাদুৰৰ আদেশমতে ব্ৰহ্মপুত্ৰৰ পাৰত থকা এটা পৰ্বতৰ ওপৰত সৈন্যসকলে এটা দৌল বান্ধিলে, প্ৰতিজন সেনাই পাঁচ ঢাল মাটি দিছিল, সেই দৌলৰ ওপৰত এটা ঘৰো সজা হ'ল। এই ঠাই ডোখৰ ধুবুৰীৰ গুৰুদ্বাৰ-দমদমে বুলি আজিও বিখ্যাত, আৰু অজস্ৰ তীৰ্থ যাত্ৰীয়ে ইয়াক দৰ্শন লাভ কৰিবলৈ আহে। গুৰু টেগবাহাদুৰৰ দৰ্শন লাভ কৰিবৰ মনেৰে আৰু নিজৰ মনোবাঞ্ছা চৰিতাৰ্থৰ কাৰণে আশীৰ্বাদ পাবৰ মনেৰে অনেক প্ৰজা আহিবলৈ ধৰিলে। গোটেই দেশে গুৰুক শ্ৰদ্ধাভাৱেৰে ভক্তি কৰিবলৈ ধৰিলে। গুৰুৰ আশীৰ্বাদত ৰাজাৰাম নামেৰে স্থানীয় ৰজা এজনে এটি পুত্ৰ লাভ কৰিলে।

ধুবুৰীত থকা কালত পাটনাত তেওঁৰ এটি পুত্ৰ উপজিছে বুলি গুৰুৱে বাৰ্তা পালে। এই শুভবাৰ্তা উপলক্ষে ৰামসিংহৰ বাহৰত আনন্দ-উৎসৱ হ'ল। হিলৈ জ'াই কৰিলে, সঙ্গীত-নৃত্যও হ'ল, আৰু মগনীয়াক ভিক্ষা দিলে। গুৰুৰ এই পুত্ৰজনাৰ নাম আছিল গোবিন্দ।

১৬৭৫ চনত সম্ৰাট আওৰঙ্গজেৱে টেগবাহাদুৰক বধ কৰাৰ পাচত গোবিন্দ শিখৰ দশমগুৰুৰ পদত অধিষ্ঠিত হয়।

গুৰু টেগবাহাদুৰে ধুবুৰী এৰি যোৱাৰ পাচত ৰামসিংহই অসম অভিমুখে আগবাঢ়িবলৈ ধৰিলে। সীমান্তৰ থানাত তেওঁক অলপ বাধা দিয়া হৈছিল, কিন্তু অতি সোনকালে তেওঁ সেই বাধা অতিক্ৰম কৰিব পাৰিলে। অসমীয়াৰ উদ্দেশ্য আছিল মোগল সৈন্যই যাতে অপ্ৰতিহতভাৱে গুৱাহাটীৰ সমীপলৈ আগবাঢ়িব পাৰে, আৰু যাতে গুৱাহাটীত দুয়োপাৰে থকা বেহুগড়ৰপৰা মোগল সৈন্যক ভালকৈ প্ৰতিবন্ধক দিব পাৰে। ৰামসিংহই পোনতে হাজোৰ ওচৰত থানা পাতি ৰ'ল, তাৰ পাচত সমীপবৰ্তী গাওঁ আৰু পথাৰত বাহৰ পাতিলে। জয়সিংহই শিবাজীৰ বিৰুদ্ধে অৱলম্বন কৰা যুদ্ধ-প্ৰণালী ৰামসিংহয়ো অনুসৰণ কৰিছিল। কূটনৈতিকভাৱে কটকী চলাচল, আৰু তাৰ লগে লগে প্ৰতিজ্ঞা আৰু আশ্বাসৰ সহায়েৰে ৰামসিংহই যুদ্ধৰ সমস্যা সমাধান কৰিবলৈ বিচাৰিছিল, তাৰে কৃতকাৰ্য নহ'লে সামৰিক সংঘৰ্ষেৰে যুদ্ধৰ সিদ্ধান্ত কৰিবলৈ মন কৰিছিল। আহোম সেনাপতি-সকলক ধন-সোণ উপহাৰ দি ৰবিবলৈ আৰু তেওঁলোকৰ মাজত বিভেদ সৃষ্টি কৰিবলৈ ৰামসিংহই অনৰ্গল চেষ্টা কৰিছিল। কিন্তু শিবাজীৰ বিৰুদ্ধে যুদ্ধত ৰাজপুতৰ কূটনীতি আংশিকভাৱে কৃতকাৰ্য হলেও অসমৰ বেলিকা সি সম্পূৰ্ণকৈ ব্যৰ্থ হৈছিল। ১৬৭১ চনৰ মাৰ্চ মাহত গুৱাহাটীৰ ওচৰত হোৱা পানীৰ যুদ্ধত এই সংঘৰ্ষৰ চূড়ান্তভাৱে পৰিণতি কৰিছিল। সেই ৰণত ৰামসিংহৰ সৈন্য পৰাজিত আৰু ছত্ৰ-ভঙ্গ হৈছিল। সংগঠন শক্তি, একতা আৰু সাহসৰ কাৰণে ৰাজপুত সেনাপতি ৰামসিংহই অসমীয়াক প্ৰসংশা কৰিছিল।

সংঘৰ্ষ চলি থকা সময়ত ৰামসিংহই বাৰ্তা পালে যে সম্ৰাট আওৰঙ্গজেৱে ৰজাৰ পুতেক কৃষ্ণসিংহ কুমাৰক বাঘৰ সৈতে খেলা কৰাইছিল, অৱশ্যে কৃষ্ণসিংহই জয়ী হৈ গা সাৰি আছে। অম্বেৰৰ দূত এজনে ৰামসিংহৰ মাতৃদেবী আৰু মহিষীৰপৰা এখন পত্ৰ

আনিছিল। অসমৰ প্ৰজাসকলৰ ধৰ্মনিষ্ঠতা আৰু সম্ৰাটৰ মনোৰঞ্জনৰ কাৰণে যুদ্ধ আদি কৰা নিষ্ফল বুলি দেখুৱাই অসমক আক্ৰমণ কৰাৰ-পৰা বিৰত থাকিবলৈ সেই পত্ৰবদ্বাৰা ৰামসিংহক অনুৰোধ কৰা হৈছিল। অম্বেৰৰ পত্ৰত লিখা হৈছিল এই,—"কৃষ্ণসিংহক পাদশ্যাই বাঘেৰে যুঁজাই মাৰিব খুজিলে। এনে আমাৰ মিত্ৰ পাদশ্যাহ! অনেক ৰাজ্যসকল মাৰি বশ কৰি দিছে, তাৰ যশে-ধৰ্মে আমাক আটিছে। পূৰ্বদেশ মাৰি মোগলৰ তল কৰি দিলেহে কি আমাৰ আয়ু-শ্ৰী বাঢ়িব? আৰু শুনিছোঁ সি দেশত নামধৰ্ম, নাম-কীৰ্তন সততে প্ৰবৰ্তিছে, আৰু গো ব্ৰাহ্মণ বৈষ্ণৱ কুশলে আছে। এইসকলক তলকৈ দিলে কি হয় তাক জানে! তাক মাৰি মাজুম-খাঁ কতকাল বঞ্চিল, ই ঠাই নেপালেহি! তাকে চাই ফিৰি আহিল হে যোগ্য। আকে চাই যেখান কৰে।"

অম্বেৰৰ দূতে নবাব ছায়িষ্টা-খাঁৰ পৰাও এই বুলি এখন পত্ৰ আনিছিল,—"ৰামসিংহক কবি, আসামদেশক সংশয়ে নবাব ৰাজ-সকলৰ মান-মৰ্যাদা গোট বহিছে। তাকে মাৰি বশ কৰিলে আমাৰ সকলবো ভাস ভাগে।" ছায়িষ্টা-খাঁই এইদৰে লিখাৰ উদ্দেশ্য আছিল নিশ্চয় এনে ধৰণৰ,—পৰাক্ৰমশালী আৰু স্বাধীন অসম ৰাজ্য থকাৰ কাৰণে, নবাব আৰু ৰাজাসকলৰ লগত লেনদেন কৰোঁতে মোগল সম্ৰাট বিবেচনাযুক্ত আৰু সাবধান হব লগীয়া হৈছিল, কাৰণ অসমক আক্ৰমণ কৰাৰ প্ৰস্তাব কৰিলে সম্ৰাটে সঙ্কটৰ সময়ত তেওঁলোকৰ সহায় বিচাৰিব লগাত পৰিছিল, অসন্তুষ্ট আৰু বিদ্ৰোহী নবাব আৰু ৰজাসকলে অসমকে কেন্দ্ৰ কৰি তেওঁলোকৰ প্ৰতিৰোধৰ অভিসন্ধি সম্পাদন কৰাৰ সম্ভাৱনা আছিল। কূটনৈতিক হিচাবে বঙ্গৰ চুবেদাৰৰ পদবী বিশেষ উল্লেখযোগ্য আছিল, কাৰণ বঙ্গদেশ অসমৰ একেবাৰে গাত-লগা।

অসমত পৰাজিত হোৱাৰ পাচত ৰামসিংহ ৰণ-শেষ সৈন্য লৈ ৰঙামাটিত ৰৈ তাৰপৰা অসমক পুনৰ আক্ৰমণ কৰিবলৈ সুবিধা

বিচাৰি আছিল। কিন্তু তেওঁ তেনে একো সুবিধা নাপালে, কাৰণ আহোমসকলে শত্রুৰে পুনৰ আক্রমণ কৰিব পাৰে বুলি সষ্টম হৈ আছিল। ১৬৭৬ চনৰ ফেব্রুৱাৰী মাহত, বাৰিষা কাল আৰম্ভ হোৱাৰ পূর্বে ৰঙামাটি এৰি উভতি যাবলৈ সম্রাটে ৰামসিংহক আদেশ দিলে আৰু উমদাত-উল-মুলকে মনোনীত কৰা বিষয়াক ৰঙামাটিৰ শাসনভাৰ দি যাবলৈ আজ্ঞা কৰিলে। পোনতে এই ভাৰ আবু-নছৰ-খাঁ আৰু তাৰ পাচত ইবিন-ই-হুচেইন-খাঁৰ ওপৰত পৰিল। ১৬৭৬ চনৰ জুন মাহত ৰামসিংহই সম্রাটক গৈ চেলাম দিলে। অসমৰ সীমান্তত ৰামসিংহ ইমান দিন শাস্তি স্বৰূপেহে আছিল। এক বিবৰণমতে দিল্লীলৈ উভতি যোৱাৰ পাচতে ৰামসিংহৰ মৃত্যু ঘটে। আন এটি বিবৰণ মতে ১৬৮৭-৮৮ চনত কাবুললৈ যাওঁতে ৰামসিংহৰ লোকান্তৰ হয়।

ৰামসিংহৰ পাচত তেওঁৰ পুতেক কৃষ্ণসিংহ বা কিষাণসিংহ উত্তৰাধিকাৰী হয়। ৰামসিংহ অসমত থকা কালত সম্রাটে কিষাণ-সিংহক জামিন স্বৰূপে ৰাখিছিল। কিষাণসিংহে কিছুদিন কাবুলত যুদ্ধ কৰে। সম্রাটে তেওঁক তিনিহাজাৰী মনচৱ মর্যাদা দিয়ে। কিন্তু কাবুলত হোৱা আভ্যন্তৰীণ যুদ্ধত ঘা খাই তেওঁ মৃত্যু-মুখত পৰে। কিষাণসিংহৰ পাচত বিছানসিংহ উত্তৰাধিকাৰী হয়।

বিছানসিংহ ইছলামা-বাদৰ প্রধান বিচাৰকৰ পদলৈ উঠে। ১৬৯৯ চনত তেওঁৰ মৃত্যু হয়। তাৰ পাচত তেওঁৰ পুতেক চেৱাই জয়সিংহ গাদীত বহে। ৰামসিংহৰ পিতৃ মীৰ্জাৰজা জয়সিংহৰ পৰা পৃথক কৰিবৰ কাৰণে এওঁক চেৱাই বা দ্বিতীয় জয়সিংহ বোলা হয়। এওঁৰ ৰাজত্বৰ কালছোৱাত মোগল শক্তিৰ অবসান আৰু ধ্বংস পৰিলক্ষিত হয়। চেৱাই জয়সিংহই সেইকালৰ খোৱা-কামোৰা আৰু যুদ্ধ-বিগ্ৰহ আদিত অংশ গ্ৰহণ কৰে। জয়পুৰত জয়সিংহই নির্মাণ কৰা প্রাসাদক মস্কোৰ ক্রেমলিনৰ লগত তুলনা কৰিব পাৰি।

কিন্তু চেৱাই জয়সিংহ ৰজাৰ সৰ্বশ্ৰেষ্ঠ অবদান হৈছে জ্যোতিৰ্বিদ্যাৰ গবেষণা ক্ষেত্ৰত। তেওঁৰ জ্যোতিষৰ জ্ঞান ইমান গভীৰ আৰু বিস্তৃত আছিল যে তেওঁক মোগল সম্ৰাট মহম্মদ-চাহে জ্যোতিষৰ বছৰ গণনা পদ্ধতি সংস্কাৰ কৰাৰ ভাৰ দিয়ে। জয়সিংহই জেইজ মহম্মদ চাহী আখ্যা দি কিছুমান নিয়মাৱলী সঙ্কলন কৰি তাক সম্ৰাটৰ নামে উছৰ্গা কৰে। ১৮২৯ চনত কৰ্নেল-জেম্চ-টডে কৈছিল,—"এই নিয়মাৱলীৰ সহায়েৰে এতিয়ালৈকে জ্যোতিষীয়া গণনা সঙ্কলন আৰু পঞ্জিকা যুগুত কৰা হয়।" দিল্লী, জয়পুৰ, বাৰাণসী আৰু মথুৰাত তেওঁ জ্যোতিষ গণনাৰ ওখ মণ্ডপ বা যন্ত্ৰ-মন্ত্ৰ নিৰ্মাণ কৰে, আৰু সেইবোৰত নিজে আবিষ্কাৰ কৰা যন্ত্ৰ আদি স্থাপন কৰে। সেইবোৰৰ সহায়েৰে কৰা গণনা আদি নিৰ্ভুল হোৱা দেখি সকলোৱে আচৰিত হৈছিল। অনবৰত হৈ থকা যুদ্ধ-বিগ্ৰহ আৰু ৰজাঘৰীয়া বাদ্-বিসম্বাদৰ মাজত থাকিও তেওঁ তেওঁৰ জ্যোতিৰ্বিদ্যাৰে গবেষণাৰ কাৰ্য সুকলমে চলাই থাকিব পাৰিছিল। জয়সিংহই কল্পদ্ৰুম নামে এখন দিনলিপি ৰাখিছিল, তাত তেওঁ নিজে অংশ গ্ৰহণ কৰা কাৰ্যাৱলী আৰু তেওঁৰ গোচৰলৈ অহা ঘটনাৱলী লিপিবদ্ধ কৰিছিল। কচ্ছোৱা ৰাজপৰিয়ালৰ এখন সুবৃহত বুৰঞ্জী সঙ্কলনৰ কাৰণে তেওঁ সঁজুলি সংগ্ৰহ কৰিছিল।

সম্ৰাট আওৰঙ্গজেৱৰ মৃত্যুৰ পাচত সিংহাসনৰ কাৰণে পুতেক-সকলৰ মাজত যুদ্ধ হোৱা সময়ত চেৱাই জয়সিংহই, স্বৰ্গী হোৱা সম্ৰাটৰ তৃতীয় পুত্ৰ আজমচাহ বা আজমতৰাৰ পক্ষ সমৰ্থন কৰে। আওৰঙ্গজেৱৰ মৃত্যুৰ ন দিনৰ পাচত, ১৭০৭ চনৰ ১৪ মাৰ্চ তাৰিখে আহম্মদনগৰত আজমতৰা সিংহাসনত উঠে। আজমতৰাৰ পুত্ৰ বিদাৰ-বখটৰ ফলীয়া হৈ জজৌ যুদ্ধত জয়সিংহই ভাগ লয়। কিন্তু জয়সিংহই বিদাৰ-বখটৰ পক্ষ এৰি বাহাদুৰ-চাহৰ দ্বিতীয় পুত্ৰ মহম্মদ-আজিমৰ শিবিৰলৈ গুচি যায়। ১৭০৭ চনৰ ২০ জুন তাৰিখে চুলতান আজমতৰা গুলী লাগি নিহত হয়। তেওঁৰ পুতেক বিদাৰ-

বখটে ইতিপূৰ্বেই যুদ্ধত প্ৰাণ এৰিছিল। ন-কৈ হোৱা সম্ৰাট বাহাদুৰ-চাহে আজমতৰাৰ পত্নী আৰু ল'ৰা-ছোৱালীক মৰমৰ চকুৰে চাম বুলি আৰু ৰক্ষা কৰিম বুলি আশ্বাস দিয়ে।

চেৱাই জয়সিংহক আগ্ৰা আৰু মালোৱাৰৰ শাসনকৰ্তা নিযুক্ত কৰা হয়। সম্ৰাট মহম্মদ-চাহে ইতিমধ্যে মাৰাথীসকলক চৌথ সংগ্ৰহ কৰিবলৈ অনুমতি দিছিল। জয়সিংহই মেৱাৰ আৰু মাৰোৱাৰৰ ৰজাসকলৰ সৈতে একেগোট হৈ মাৰাথীসকলৰ বিৰুদ্ধে ৰাজপুতৰ ক্ষত্ৰ শক্তি প্ৰয়োগ কৰিবলৈ চেষ্টা কৰিলে। ইয়াৰ পাচত, জয়সিংহই মাৰাথীসকলৰ পক্ষ সমৰ্থন কৰি বালাজী-ৰাওঁ পেছোৱাক মালোৱা হস্তান্তৰ কৰাত সহায়কাৰী হয়। জয়সিংহৰ সহায়েৰে মাৰাথীসকলে মালোৱাত সোমাব পাৰিছিল। ৰাজপুত আৰু মাৰাথাৰ সমবেত প্ৰচেষ্টাৰ ফলত হিন্দুসকলৰ পুনৰুত্থানৰ সঙ্কল্প আছিল। এখনি পুৰণি অসম বুৰঞ্জীত জয়সিংহক সহায় কৰা ৰজা আৰু জমিদাৰসকলৰ নামবোৰ আছে, আৰু তাৰ লগতে সৈন্য, ঘোঁৰা, হাতী আৰু উটৰ সংখ্যাৰো উল্লেখ আছে। সবাতকৈ সৰহ বৰঙণি দিয়ে ৰামপুৰা গ্ৰামৰ মলোহৰ ৰজাই—৮০০০০ সৈন্য, ৮০ হাতী, ৫০০ ঘোঁৰা আৰু ৮০০০ উট। এইদৰে পাদশ্যাহী আৰু অন্তৰ-ৰাজ্যৰ সমস্যাত লিপ্ত থাকিলেও তেওঁৰ পৈত্ৰিক ৰাজ্য অম্বেৰৰ শ্ৰী-বৃদ্ধি সধা কামলৈ জয়সিংহই সময় পাইছিল। ১৭৪৩ চনত জয়সিংহৰ মৃত্যু হয়।

বৃটিচৰ অধীনত আজিলৈকে জয়পুৰ এখনি সমৃদ্ধিশালী ভাৰতীয় ৰাজ্য হিচাবে জীয়াই আছে। আৰু ইয়াৰ বৰ্তমান শাসনকৰ্তা হৈছে মহাৰাজাধিৰাজ চেৱাই মানসিংহ বাহাদুৰ।*

* এইখিনি কথা লাচিত বৰফুকন বিষয়ক মূল ইংৰাজী গ্ৰন্থ, ১৯৪৭ চনৰ মেই মাহত প্ৰকাশিত হোৱা সময়ত লিখা হৈছিল। ভাৰতে স্বাধীনতা পোৱাৰ পাচত জয়পুৰ ৰাজ্য ভাৰতৰ পূৰ্ণচামিল হৈছে।—অনুবাদক

# সামৰণি

আমাৰ হাতত থকা সঁজুলিৰ সহায়েৰে লাচিত বৰফুকনৰ ব্যক্তিত্ব আৰু চৰিত্ৰৰ চিত্ৰাঙ্কন সম্পূৰ্ণভাৱে কৰাটো টান। বুৰঞ্জীবোৰত তেওঁৰ জীৱনৰ যিবোৰ ঘটনা ৰজাঘৰীয়া কাৰ্যকলাপৰ সৈতে সংশ্লিষ্ট তাকেহে মাথোন লিপিবদ্ধ কৰা হৈছে। ৰাজনৈতিক ঘটনাসমূহৰ শিকলিৰ এটি স্তৰ হিচাপে তেওঁ বুৰঞ্জীবোৰত বৰ্ণিত হৈছে। অৱশ্যে এই স্তৰো অতি আৱশ্যকীয়।

বুৰঞ্জীৰ অন্তৰ্গত কোনোজনা পুৰুষ যিমানেই কীৰ্তিমন্ত আৰু উচ্চমানৰ নহওক, তেওঁ বুৰঞ্জীত কোনো ঠাই নেপায়, যদি তেওঁৰ পাৰিপাৰ্শ্বিক অৱস্থাই ৰজাঘৰৰ সিদ্ধান্ত আৰু কাৰ্যপ্ৰণালীত প্ৰভাৱ বিস্তাৰ নকৰে। ব্যক্তিগত জীৱনৰ অপ্ৰাসঙ্গিক ঘটনাসমূহক প্ৰাধান্য নিদিবলৈ বুৰঞ্জী লিখকসকলক কঠোৰভাৱে নিষেধ কৰা হৈছিল। আমি এইটো কথা স্বৰ্গদেৱ শিৱসিংহই আহোম পণ্ডিত এজনাক ৰজাসকলৰ বুৰঞ্জী লিখিবলৈ দিয়া আদেশৰ পৰা জানিব পাৰোঁ,—"এই বুৰঞ্জীত মাথোন স্বৰ্গদেৱসকলৰ নাম আৰু কাৰ্যাৱলীৰহে বিবৰণ থাকিব লাগিব"। এইদৰে সীমাবদ্ধ কৰাটো নিশ্চয় আক্ষেপৰ বিষয়, কাৰণ অসমৰ সন্ত আৰু ধৰ্মপুৰুষসকলৰ চৰিত্ৰ-পুথি আমি প্ৰচুৰ পৰিমাণে পাইছোঁ আৰু বহুসংখ্যক ৰাজনৈতিক জীৱন-চৰিত আমাৰ দেশত ৰচিত হ'লহেতেন, যদি দেশৰ নিয়মমতে সেইবোৰৰ সঙ্কলন যথাসন্মত হ'লহেতেন। তেনে ধৰণৰ এই জীৱন চৰিত্ৰৰ সহায়েৰে ভিতৰুৱা মনোবৃত্তিৰ আমি অন্তৰঙ্গ আভাস পালোঁহেতেন, আৰু তাৰপৰা বুৰঞ্জীৰ প্ৰধান নেতাসকলৰ চৰিত্ৰৰ বিষয়ে সঠিক ধাৰণা কৰিবলৈ সমৰ্থ হলোঁহেতেন।

গ্ৰীচৰ মহাবীৰ আলেকজেণ্ডাৰৰ জীৱনীত প্লুটাৰ্কে লিখিছে,—"কোনো এজন পুৰুষৰ সমুজ্জ্বল কাহিনীৰপৰা তেওঁৰ প্ৰকৃত

চৰিত্ৰৰ বিষয়ে একো জানিব পৰা নেযায়। কিন্তু, এটি সামান্য ঘটনা, এটি অতৰ্কিত মন্তব্য বা ধেমালিত কোৱা কথাই তেওঁ কেনে ধৰণৰ মানুহ আছিল তাক জানিবলৈ আমাক সহায় কৰে। শোণিত ক্ষয় হোৱা ৰণ, আড়ম্বৰপূৰ্ণ সৈন্য সমাবেশ, আৰু বিচক্ষণ অববোধেও তেনে সহায় নকৰে"। আমাৰ সৌভাগ্য, সামান্য ঘটনা, অতৰ্কিত মন্তব্য, যুদ্ধক্ষেত্ৰত বিচক্ষণ কৃতিত্ব, এই দুয়ো ধৰণৰ কাহিনী অসংলগ্নভাৱে হলেও প্ৰাচীন বুৰঞ্জীবোৰত সংৰক্ষিত হৈছে।

লাচিত বৰফুকনৰ চৰিত্ৰৰ সৰ্বপ্ৰধান লক্ষণ হৈছে—তেওঁৰ আত্মসন্মান জ্ঞান। এই গুণটোক নিৰ্দিষ্ট সংজ্ঞা দিব নোৱাৰি, যদিও মানব চৰিত্ৰৰ সকলো উচ্চ আৰু উদাৰ প্ৰবৃত্তিয়েই এই গুণৰ অন্তৰ্গত। ইয়াৰ অৰ্থ হৈছে সংকল্প তাৰু কাৰ্যৰদ্বাৰা ভিতৰুৱা আৰু ৰাজহুৱা আচৰণৰ প্ৰতি দেখুৱা শ্ৰদ্ধা। এই শ্ৰদ্ধা কোনো লিপিবদ্ধ শাস্ত্ৰৰ অন্তৰ্ভুক্ত নহয়, আৰু ইয়াক লংঘন কৰিলে অপৰাধীৰ কোনো দণ্ডও নহয়। আমাৰ ভিতৰুৱা আৰু ঘৰুৱা লেনদেনত ইয়াৰ অৰ্থ হৈছে, আমি কৰা প্ৰতিজ্ঞা আৰু অঙ্গীকাৰৰ বিনা ওজৰে সম্পাদন আৰু আচৰণ, আৰু বাক্য আৰু মনোভাবৰ দ্বাৰা আনৰ অন্তৰত ওপজোৱা আশা আৰু কামনাৰ সম্পূৰণ, ৰাজহুৱা জীৱনত, ব্যক্তিগত লাভ আৰু সুবিধাৰ প্ৰতি লক্ষ্য নাৰাখি নিজৰ কৰ্তব্যৰ প্ৰতি আশাশুধীয়া আসক্তি। আত্মসন্মান থকা পুৰুষ সদায় পোনপটীয়া আৰু নিৰপেক্ষ, আৰু প্ৰতিবন্ধক আৰু অসুবিধা থকা সত্বেও তেওঁ নিজৰ নীতিকে মানি চলে। সত্য গোপন, নিজে বিশ্বাস নকৰা অভিমত প্ৰচাৰ, সমস্যাৰ সমাধানৰপৰা মুৰপোলোকা-মৰা বুদ্ধি, আৰু অনিয়মৰ কাৰ্যক যুক্তিযুক্ত বুলি প্ৰমাণ কৰিবলৈ পেংলগা চেষ্টা, এইবোৰ পন্থা আত্মসন্মানী পুৰুষৰ পক্ষে অগোচৰ। সৎকাৰ্যৰ স্বীকৃতি আৰু উপকাৰ লাভ তেওঁৰ কাৰ্যাৱলীৰ উদ্দেশ্য নহয়। পুৰস্কাৰ পোৱাৰ চিন্তা অতি পাৰ্থিব আৰু তেওঁৰ দেশসেৱাৰ উদগনিসমূহৰ সি অন্তৰ্গত নহয়। এনে পুৰুষৰ ওপৰত অতি গুৰুত্বপূৰ্ণ

দায়িত্ব অৰ্পণ কৰিব পাৰি, আৰু তেওঁক তদাৰক কৰিবলৈ চকু দিওঁতা মানুহ নহলেও তেওঁ সেই দায়িত্ব সম্পাদন কৰিব, কাৰণ তেওঁৰ অন্তৰত সবাতোকৈ উচ্চ ধৰণৰ তদাৰককৰ্তা তেওঁ পৰিপোষণ কৰে, এয়ে হৈছে তেওঁৰ বিবেক। যদিও তেওঁ কাপুৰুষতা আৰু নীচতাৰ অভিযোগ শুনিলে মনত অলপ ক্ষুণ্ণ হয়, তথাপিও তেওঁ পক্ষপাতী শত্ৰু আৰু বিবেচনাহীন জনসাধাৰণৰ নিন্দাৰ প্ৰতি নিৰ্বিকাৰ, কাৰণ তেওঁ সদায় নিজৰ প্ৰতি সত্যশীল, আৰু বিশ্ব-ব্ৰহ্মাণ্ডত এটি নৈতিক শৃংখলা বিদ্যমান থকা বিশ্বাসত তেওঁ অবিচলিত।

লাচিত বৰফুকনে তেওঁৰ পিতৃদেবতা মোমাই-তামূলী বৰবৰুৱাৰ-পৰা আপুৰুগীয়া আত্মসন্মান গুণটি লাভ কৰে। খেতি-পথাৰত কাম কৰা বনুৱা, ৰাজ্যৰ বৰমূৰীয়া বিষয়া কিম্বা সৈন্যৰ সেনাপতি, যিকোনো অৱস্থাতে এই গুণটিয়ে মোমাই-তামূলী বৰবৰুৱাৰ লগ নেৰিছিল। পুত্ৰৰ দৰে পিতৃ মোমাই-তামূলীয়েও দেশৰ অতি সংকটপূৰ্ণ কালত নিয়তিৰ প্ৰতিনিধি ৰূপে নিজৰ কৰ্তব্য সমাধান কৰিছিল।

লাচিত বৰফুকনে নিজৰ গৌৰৱময় আৰু সংক্ষিপ্ত জীৱনত তেওঁৰ চৰিত্ৰৰ অন্তৰ্গত এই গুণটিৰ যথেষ্ট উদাহৰণ দিছিল। তেওঁৰ কৰ্তব্যৰাশি যিমানেই তলখাপৰ নহওঁক তাৰ সম্পাদনত তেওঁ সৰ্বান্তঃকৰণে আত্মপ্ৰয়োগ কৰিছিল। দোলাকাষৰীয়া বৰুৱাৰ কৰ্তব্যসমূহ তেওঁ সম্যকভাৱে আয়ত্ত কৰে। পাদশাহী সৈন্যৰ বিৰুদ্ধে পঠোৱা অসমীয়া সৈন্যৰ সেনাপতি হবলৈ স্বৰ্গদেৱ চক্ৰধ্বজসিংহই উপযুক্ত মানুহ বিচৰাত লাচিতে যি সমিধান দিলে তাৰপৰা মোগলক অসমৰ পৰা খেদাবলৈ তেওঁৰ তীব্ৰ মনোবাঞ্ছা আৰু তেওঁৰ আত্মবিশ্বাসৰ প্ৰমাণ ভালকৈ ফুটি ওলায়। লাচিতে কলে যে স্বৰ্গদেৱে ধুলা দিলে সমস্যাৰ উপযোগী সেনাপতি অসমে উলিয়াব। সম্ৰাট আওৰঙ্গজেৱে দেশত উপযুক্ত বিষয়াৰ অভাব

বুলি আপত্তি কৰাত চাহুল্লা-খাঁ বৰউজীৰৰ সমিধান আৰু লাচিতৰ সমিধানৰ তাৎপৰ্য প্ৰায় একে ধৰণৰ। উজীৰে কৈছিল, বোলে, "কোনো যুগতে উপযুক্ত মানুহৰ অভাব নপৰে। স্বাৰ্থপৰ মানুহৰ নিন্দা নুশুনি প্ৰবীণ মুৰব্বীসকলে ভাল মানুহ বাচি উলিওৱাটো কৰ্তব্য, বচাৰ পাচত তেওঁলোকক নিজৰ ফলীয়া কৰি লব লাগিব, আৰু তেওঁলোকৰ দ্বাৰা যথাকাৰ্য সম্পাদন কৰিব লাগিব।"

মূৰত পিন্ধা বস্ত্ৰ বলেৰে গুচোৱাটো পিন্ধোতাৰ পক্ষে বৰ অপমানজনক। ৰাজচ'ৰাত তেনে অপমানৰ প্ৰতিবাদ কৰিলে তাত এটা অপ্ৰীতিকৰ দৃশ্য ঘটাৰ ভয়ত সেৰেপা মানুহে তেনে অপমান নীৰৱে সহ্য কৰি থাকিব। লাচিত কিন্তু সেই অপমানকাৰীক খেদি গৈ সিংহাসনৰ তলত আশ্ৰয় লৈ লুকাবলৈ বাধ্য কৰিলে। অৱশ্যে ইয়াৰপৰা ৰাজচ'ৰাৰ শিষ্টাচাৰৰ কিছু পৰিমাণে ব্যতিক্ৰম ঘটিল। তত্ৰাপি স্বৰ্গদেৱ চক্ৰধ্বজসিংহই উচ্চ আত্মসন্মানবোধৰ প্ৰত্যক্ষ প্ৰমাণ পালে আৰু ভাবিলে যে মোগলৰ বিৰুদ্ধে সংঘৰ্ষৰ সমস্যা সমাধানৰ বেলিকা লাচিতে নিজৰ আত্মসম্মান লঘু কৰা কোনো কাম নকৰে। সম্ৰাট আওৰঙ্গজেৱৰ চ'ৰাত যথাযোগ্য সন্মানৰ পৰা বঞ্চিত হোৱাত শিবাজীয়ে খং দেখুৱাইছিল। লাচিতৰ জীৱনৰ উক্ত ঘটনাটো একপ্ৰকাৰে শিবাজীৰ অসন্তুষ্টিৰ লগত তুলনা কৰিব পাৰি।

যুদ্ধৰ আৰম্ভণিতে লাচিত বৰফুকনে ঘোষণা কৰিলে যে ৰণত হেলা কৰা আৰু বিমুখ হোৱা সকলোকে তেওঁ কাটিব। শিৰচ্ছেদ বা তেজক্ষয় হোৱা কোনো প্ৰকাৰৰ মৃত্যুদণ্ড স্বৰ্গদেৱৰ আজ্ঞাৰেহে দিব পৰা গৈছিল। তেজ নুলিয়াই অপৰাধীক খাবলৈ নিদি শুকুৱাই বা পানীত পেলাই মাৰিবলৈহে বৰফুকনৰ অধিকাৰ আছিল। এটা ভীষণ সংকটৰ সন্মুখীন হৈ এটা দেশ-দস্তৰৰ অধীন হোৱাটো বৰফুকনে এটি সামান্য কথা বুলি ভাবিছিল। ৰোম সাম্ৰাজ্যৰ মহাবীৰ ছিপিয়'ই ৰণত বহুধন অপব্যয় কৰিছে বুলি

কেটোই অভিযোগ তুলিছিল। প্লুটাৰ্কে কৈছে যে এই অভিযোগৰ উত্তৰত ছিপিয়’ই কলে,—“তেওঁৰ কাৰ্য পৰ্যবেক্ষণ কৰিবৰ নিমিত্তে তেওঁ ধন পৰীক্ষক নিবিচাৰে, যেহেতু তেওঁ এখন মহাযুদ্ধত লিপ্ত আছিল, কেটোক আৰু কলে যে সেনাপতিয়ে কেইখন যুদ্ধ জিকিছে তাকেহে ৰোমবাসীসকলক দেখুৱাব লাগিব, কিমান টকা খৰচ কৰিলে তাৰ হিচাব দিব নালাগে”। সেইদৰে লাচিত বৰফুকনে নিজৰ ক্ষমতা সম্পৰ্কে দেশ-দস্তুৰ বিচৰা মানুহৰ মতামত দলিয়াই পেলাই এক উদ্দেশ্যৰ নিমিত্তে তেওঁৰ সকলো উদ্যম প্ৰয়োগ কৰিছিল,—“যেনে-তেনে-প্ৰকাৰে আমি জয়লাভ কৰিব লাগে।” তেওঁৰ কাৰ্যপন্থাই স্বৰ্গদেৱৰ সমৰ্থন লাভ কৰিছিল। এই সিদ্ধান্তৰ পৰা লাচিত বৰফুকনৰ মূল্যনিৰূপণ শক্তি, আৰু কোন কথা লাগতিয়াল আৰু কোন কথা অলাগতিয়াল ইয়াৰ পাৰ্থক্য বুজিব পৰা শক্তিৰ আমি পৰিচয় পাওঁ।

সৈন্যসকলৰ নৈতিকতা সংৰক্ষণ, আৰু তাৰ লগে লগে শত্ৰুৰ নৈতিকতা ধ্বংস কৰাৰ চেষ্টা সম্পৰ্কে লাচিত ফুকনে কৰা কাম আৰু কোৱা কথাৰ পৰা তেওঁৰ কাৰ্যকৰী বুদ্ধিৰ আমি প্ৰমাণ পাওঁ। অসমীয়াৰ যুদ্ধ জয় হব, লাচিত বৰফুকনে ইয়াৰ স্বপ্ন সৈনিকসকলৰ অন্তৰত আৰম্ভণিৰপৰা ৰোপণ কৰিছিল। ৰামসিংহৰ অন্তৰতো এনে ধাৰণা সৃষ্টি কৰিছিল যে তেওঁৰ পৰাজয় অনিবাৰ্য। শত্ৰুৰ অন্তৰত সন্দেহ আৰু আতঙ্ক সৃষ্টি কৰিবলৈকো বৰফুকনে সেনাপতি-সকলক আদেশ দিছিল। ৰাজপুত আৰু মোগল সেনাপতিসকলে সচৰাচৰ ব্যৱহাৰ কৰা ভাষাৰে ৰামসিংহই বৰফুকনক এঘড়ি লেচাই খুজিলে। আহোম সেনাপতিয়ে ইয়াৰ উত্তৰত কলে, এঘড়ি নালাগে তেওঁৰ দেহত শেষ শোণিত বিন্দু থকালৈকে তেওঁ যুদ্ধ কৰিবলৈ সাজু। ৰামসিংহই লাচিত বৰফুকনলৈ এটোপোলা আফুগুটি পঠিয়াই কলে যে তেওঁৰ সৈন্য টোপোলাত থকা আফুগুটিৰ সমান। বৰফুকনে এচুঙা বালি পঠিয়াই সঙ্কেত জনালে যে তেওঁৰ সৈন্যৰ

লক্ষণ চুঙাত থকা বালিৰ নিচিনা। বিনাযুদ্ধে এটা সিদ্ধান্ত কৰিবলৈ আমন্ত্ৰণ জনোৱাত লাচিত বৰফুকনে কলে যে ৰামসিংহই যুদ্ধক্ষেত্ৰত নিজৰ বুদ্ধি-কৌশল দেখুৱাব লাগিব, নহলে তেওঁৰ যুদ্ধাৰু যশস্যা কলংকিত হব। অসমৰ দূতে ৰামসিংহক বুজালে যে বৰফুকনৰ লগত অসংখ্য ৰজা আহিছে আৰু বৰফুকনৰ সেনাবাহিনীত ৰাক্ষস সৈন্যই অংশ গ্ৰহণ কৰিছে। এইৰূপ প্ৰচাৰৰ ফলত ৰামসিংহই নিজৰ আগন্তুক বিপৰ্যয়ৰ সম্ভাৱনাৰ গম পালে। ৰাজপুত সেনাপতি আৰু সৈন্যসকলৰ পক্ষে অসম এখন অজ্ঞাত মুলুক আছিল। সেইদেখি, অলপ-অচৰপ সত্য মিহলি থকা সকলো কথাকে তেওঁলোকে সহজে বিশ্বাস কৰিছিল। এইবোৰ কথা সম্ভ্ৰম আৰু দৃঢ়তাৰে কোৱা হৈছিল, সেইদেখি তাৰপৰা বুজিব পাৰিছিল যে আহোমসকল কামিলা মানুহ, আৰু তেওঁলোকে অকল কূটনীতি আৰু বাহ্যিক ভদ্ৰ আচৰণৰ সহায়েৰে যুদ্ধ জয় কৰিবলৈ তহা নাই।

নিজৰ সৈন্যৰ আত্মবিশ্বাসবোধ সংৰক্ষণ কৰিবৰ কাৰণে লাচিত বৰফুকনে অতিশয় কঠোৰতাৰে কাম কৰিছিল। শত্ৰু ধ্বংসৰ কাৰণে তেওঁৰ বিষয়া আৰু সৈন্যই কামাখ্যাদেবীক তুতি-মিনতি কৰিছিল। অসমীয়াৰ আন্তৰিক বিশ্বাস অনুসৰি দেবীয়ে মনোবাঞ্ছা পূৰ্ণ কৰিছিল। তাৰপৰা সৈন্যসকলে ঠাৱৰ কৰিলে যে শত্ৰুৰ পৰাভৱ নিশ্চয়। লাচিত বৰফুকনে স্বৰ্গদেৱক নজনোৱাকৈ কৰ্তব্যত অৱহেলা কৰা মানুহক কাটিবলৈ প্ৰস্তাৱ কৰিছিল। ইয়াৰ দ্বাৰা যুদ্ধত হেলা কৰিব খোজা বা যুদ্ধলৈ মন এৰিব খোজা সকলো মানুহ কৰ্তব্যপৰায়ণ হৈছিল, আৰু যুদ্ধৰ কামত সকলোৱে নিজ শক্তিক চূড়ান্তভাৱে প্ৰয়োগ কৰিছিল। কামত হেলা কৰা বাবে নিজৰ মোমায়েকক ডুটুকুৰাকৈ কটাৰ দৃষ্টান্তই মানুহক প্ৰমাণ দিছিল যে আত্মীয়তা আৰু বন্ধুত্বলৈ ভ্ৰূক্ষেপ নকৰি অপৰাধীক শাস্তি দিবলৈ বৰফুকন দৃঢ়প্ৰতিজ্ঞ। গুৱাহাটীৰ গড় দেখি ৰামসিংহৰ প্ৰশংসাৰ কথা সকলো অসমীয়া সৈন্যৰ মাজত প্ৰচাৰিত কৰা হৈছিল। ইয়াকে শুনি সৈন্য-

সকলৰ জয়লাভৰ বিশ্বাস আগতকৈও ডাঠ হোৱাত তেওঁলোকে প্ৰবল উৎসাহেৰে যুদ্ধ কৰিবলৈ ধৰিলে। এই প্ৰশংসাৰ কথা আহোম-সকলে হাঙ্গাল-ভঙা লস্কৰৰ মুখে শুনিছিল।

শৰাইঘাটৰ পানীৰ যুদ্ধত লাচিত বৰফুকনৰ নেতৃত্ব চূড়ান্তভাৱে বিকশিত হয়। তেওঁৰ তেতিয়া ভীষণ জ্বৰ, সেই নৰিয়া অৱস্থাতে তেওঁ যুদ্ধ পৰিচালনা কৰিব লগীয়া হৈছিল। তেওঁ ছটা চহীয়ালক হেংদানৰ গাদীৰে কোবাই পানীত পেলালে, ইয়াকে দেখি যুদ্ধলৈ মন এৰা সৈন্যসকলৰ অন্তৰত নতুন উদ্যমৰ সৃষ্টি হ'ল, আৰু তেওঁলোকে প্ৰাণ-পণে যুদ্ধ কৰিবলৈ ধৰিলে। দেশৰ স্বাধীনতাৰ কাৰণে আৰু তেওঁৰ আত্মসম্মান অটুট ৰখাৰ কাৰণে আবেগপূৰ্ণ উৎকণ্ঠাৰ প্ৰমাণ পোৱা যায় তেওঁৰ মুখৰপৰা ওলোৱা বাক্যসমূহত। অশ্বক্লান্তত থকা মিৰিসন্দিকৈ হাজৰীকালৈ কৈ পঠিয়ালে বোলে, "ৰাইজক কৰা মই ইয়াতে মৰিব ওলাইছোঁ আৰু মোৰ দায়িত্ব এৰি এই ঠাইৰপৰা নেযাওঁ, চিলাপৰ্বতৰ ওপৰত মই এচিকটা মাটি কিনি থৈছো, সেয়ে মোৰ মৃতদেহৰ কাৰণে যথেষ্ট হব। ৰাজ্য গলেহে মই এই ঠাই এৰিম"। বৰফুকনে অচ্যুতানন্দ দলৈক কলে,—"মোগল আহি আমৰাজুৰি পাওঁ পাওঁ হ'লহি। গণক, তইওঁ মৰিবলৈ ওলালি, আৰু মোৰো সন্মান হানি কৰি ভাত কঠিয়া মাৰিলি"। নাৱত উঠি লাচিতে চিঞৰি কবলৈ ধৰিলে,—"শত্ৰুৰ লগত যুদ্ধ কৰিবলৈ স্বৰ্গদেৱে মোক এই থলখনৰ অধিকাৰ পাতি লগত সৈন্য আৰু আহিলা দিছে। ৰণ এৰি এতিয়া মই ল'ৰা-তিৰোতাৰ সঙ্গলৈ উলটি যাম নে"? তেওঁ আকৌ কলে,—"বঙালে মোক ধৰি নিয়ক, ৰাজ্য সুখেৰে এৰি উভতি যাওঁক"। অশ্বক্লান্তত পলাব খোজা সৈন্যৰ আগত আঠুকাঢ়ি নৰা হাজৰীকাই কাকূতি কৰিবলৈ ধৰিলে,—"ৰাজ্য ঐ, সুণীয়া কাঁহীত বিহ ঢালিব খোজ যদি ভাগ"। তীব্ৰ দেশপ্ৰেমেৰে অনুপ্ৰাণিত এনে ধৰণৰ বাণী পৃথিবীৰ বুৰঞ্জীৰ পাতত বিৰল। এই প্ৰাণময় উদ্গনিৰ পৰিণাম স্বৰূপে অসমীয়া সৈন্যই প্ৰবলবেগে শত্ৰুৰ

নাৱৰ পিনে খেদি গ'ল। পৰাজয়ৰ আতংক অতি শীঘ্ৰে যুদ্ধজয়ৰ অবিনাশী গৌৰবলৈ ৰূপান্তৰিত হ'ল।

সম্যক দূৰদৰ্শিতা জ্ঞান নথকা নেতাই তেওঁৰ তলতীয়া কৰ্মচাৰী-সকলৰ দুৰ্নীতিৰ ফালে চকুমুদি থাকে। তেওঁ ভাবে যে তেনে কৰিলে কৰ্মচাৰীসকলৰ নিজৰ কৰ্তব্য সম্পাদনত হাপ বাঢ়িব। তেনেকৈ আওঁকণীয়া ভাব ধৰাৰ কাৰণে অৱশেষত তেওঁৰ নিজৰে পতন হয়, কাৰণ তলতীয়া কৰ্মচাৰীয়ে অসৎ উপায়ে পোৱা ধন আৰু উপহাৰৰ আশা নেদেখিলে কাৰ্যত অৱহেলা কৰিবলৈ ধৰে। তেওঁলোকৰ লোভ বাঢ়ি অহাত তেওঁলোকে শত্ৰুক গোপনীয় কথাবোৰ ধনৰ বিনিময়ে কৈ দিয়ে, আৰু প্ৰকাশ্যভাৱে নহলেও তেওঁলোকৰ অভ্যাসমূলক বা ইচ্ছাকৃত অবহেলাৰদ্বাৰা সংকটৰ সময়ত শত্ৰুক সহায় কৰে। এই দুৰ্নীতিক লাচিত বৰফুকনে দুপতীয়াতে ধ্বংস কৰিছিল। ৰামসিংহৰ পৰা দুটা কাঠৰ চৰাই খুজি অনাৰ নিমিত্তে তেওঁ ৰামচৰণ কটকীক কঠোৰ শাস্তি দিছিল। ৰামসিংহৰ তলে চাকৰি গ্ৰহণ কৰিলে চূড়ামণি দৈৱজ্ঞক চাৰিহেজাৰ টকা প্ৰতিশ্ৰুতি দিছিল। দৈৱজ্ঞই ধেমালিৰ ছলেৰে ৰামসিংহক লগ পাব খুজিছিল, কিন্তু লাচিত বৰফুকনৰ ভয়ত তেওঁ নিজৰ আগ্ৰহ দমন কৰিলে। চূড়ামণি দৈৱজ্ঞক ৰামসিংহৰ তালৈ পলুৱাই নিবলৈ চেষ্টা কৰা অপৰাধত ভকতদাহ কটকীক পানীত পেলাবলৈ বৰফুকনে আদেশ দিছিল। প্ৰতিজনৰ মন নৈতিকভাৱে পবিত্ৰ নহলে প্ৰকৃত শক্তি সৃষ্টি কৰিব নোৱাৰি। জাতীয় সংকটৰ সময়ত এই পবিত্ৰতাৰ নিতান্ত প্ৰয়োজন, কাৰণ, কোনো এটা এৰিব নোৱাৰা প্ৰলোভনৰ পৰা বিচক্ষণ ৰাজপুৰুষ আৰু সেনাপতিসকলৰ প্ৰচেষ্টা বিফল হব পাৰে। লাচিত বৰফুকনৰ অনুপ্ৰেৰণাৰ ফলত সৰ্বোচ্চ সেনাপতিৰ পৰা সাধাৰণ পৰিচাৰকলৈকে প্ৰতিজন সৈন্যই প্ৰলোভন আৰু দুৰ্নীতিৰ পৰা মুক্তি লাভ কৰিছিল। যুদ্ধত হাৰি পলাই যোৱা সৈন্যৰ নাও লুৰিবলৈ বৰফুকনে তেওঁৰ সৈন্যক অনুমতি নিদিছিল, কাৰণ কোনো

প্ৰকাৰৰ লোভৰ প্ৰবৃত্তিক প্ৰশ্ৰয় দিলে সি যুদ্ধৰ অন্যান্য ক্ষেত্ৰতো পুনৰ মূৰ দাঙি উঠিব। সেইদেখি বৰফুকনে কলে, "বহুদিন আমাৰ লগত যুদ্ধ কৰি নোৱাৰি ৰামসিংহ এতিয়া ভটিয়াই যাবলৈ ধৰিছে। আমি যি যশস্যা লাভ কৰিছোঁ সেয়ে আমাৰ পক্ষে যথেষ্ট। ৰণ-পলৰীয়া সৈন্যক মাৰি-ধৰি কেখনমান ভঙা তৰোৱাল আৰু বাৰু পালে স্বৰ্গদেৱ চহকী হব নে? এইদৰে খেদি গৈ ধৰিলে আমাৰ মানুহো হেজাৰচেৰেক ঘাইল হোৱা সম্ভৱ। ৰণ কৰি সিহঁতৰ এতিয়ালৈকে ভাগৰ পলোৱা নাই"।

লাচিত বৰফুকন মানুহৰ স্বভাবজাত নেতা আছিল। তেওঁৰ সেনাপতি আৰু সৈন্যই পুংখানুপুংখভাৱে তেওঁৰ আদেশ মানি চলিছিল। উত্তৰবাহিনী সৈন্যৰ সেনাপতি মহামন্ত্ৰী বুঢ়াগোঁহাই ডাঙৰীয়ায়ো বৰফুকনৰ আদেশ লংঘিবলৈ ভয় কৰিছিল। এই আনুগত্য কোনো স্বেচ্ছাচাৰী নেতাই নিজৰ শক্তি আৰু ক্ষমতা অটুট ৰাখিবৰ কাৰণে প্ৰজাৰ অন্তৰত সৃষ্টি কৰা বাধ্যতাৰ অনুৰূপ নাছিল। নিজৰ মাতৃভূমিৰ সংকট অবস্থা দেখি সৰ্বশক্তি প্ৰয়োগ কৰাৰ সাৰ্বজনীন প্ৰবৃত্তিৰপৰা এই বাধ্যতাৰ উৎপত্তি। বৰফুকন সদায় সতৰ্ক আৰু সাৱধান হৈ আছিল। ঘোঁৰাত উঠি মৃগয়া কৰাৰ ছলেৰে বৰফুকনে যুদ্ধক্ষেত্ৰৰ চাৰিওঁমেৰে থকা ঠাইবোৰ চাই ফুৰিছিল। সৈন্যবোৰক বেলেগ বেলেগ পালীত শৃঙ্খলাবদ্ধ আৰু সুকল্পিত-ভাৱে থোৱা হৈছিল। অসমীয়া সমৰ-সজ্জাৰ উৎকৃষ্ট ব্যৱস্থা, ৰাজপুত সেনাপতিৰ অন্তৰত হোৱা আতঙ্কৰ ভাব, দৈবজ্ঞসকলৰ আশামূলক ভবিষ্যৎ বাণী, এইবোৰৰ পৰা হোৱা জয়লাভৰ আশ্বাস সত্ত্বেও লাচিত বৰফুকনে নিষ্কৰ্মা হৈ হাত সাবটি বহি নাথাকিছিল। উদ্দীপনাৰ কাৰণে যুদ্ধজয়ৰ বিশ্বাস আৱশ্যকীয়, কিন্তু ই নিয়মানু-বৰ্তিতা আৰু সংগঠনৰ ঠাই লব নোৱাৰে।

মোগলে টানকৈ খেদি কাষ চাপি আহিছে, অচ্যুতানন্দ দলৈয়ে খেনহিলৈ মাৰিবলৈ হাক দিছে। এই সংকটত বৰফুকন বৰ

দোধোৰ-মোবত পৰিল। বৰফুকনে জ্যোতিষৰ সংকেত আখৰে-আখৰে মানিলে, অৱশ্যে তেওঁৰ ভীষণ খং উঠিছিল আৰু তেওঁ অন্তৰি অস্থিৰ হৈছিল। এনে সমস্যাত পৰি তেওঁ দৈবজ্ঞক ভয় খুৱাই কথা কবলৈ ধৰিলে। কিন্তু, সেই সংকেত অলপতে পাৰ হ'ল, আৰু আক্ৰমণৰ শুভক্ষণ হৈছে বুলি দৈবজ্ঞই ঘোষণা কৰিলে। অচ্যুতানন্দৰ আচৰণ বিশ্বাসঘাতকী বুলি বৰফুকনে এতিলো সন্দেহ নকৰিছিল। যুদ্ধৰ সামৰণিত স্বৰ্গদেৱে দলৈক ভালকৈ পুৰস্কাৰ দিলে, অৱশ্যে বৰফুকনৰ উপদেশমতে।

দুশ পয়সত্তৰ বছৰৰ পাচত এই ঘটনাটো পৰ্যালোচনা কৰি চালে আমি স্বীকাৰ কৰিব লাগিব যে জ্যোতিষীয়া গণনাৰ বৈজ্ঞানিক মূল্য যেয়ে হওঁক, তেতিয়াৰ মানুহে আৰু এতিয়াও কিছুমানে সেই গণনাক নিৰ্ভুল আৰু অবিচাৰ্য বুলি ভাবে। লাচিত বৰফুকনে সেই গণনা মানি সেইযুগৰ ৰীতি এটাৰহে প্ৰমাণ দিছিল। কিন্তু আমি এইটো কথা স্বীকাৰ কৰিব লাগিব যে সমস্যাৰ সময়ত জ্যোতিষীয়া উপদেশক যুদ্ধ-ব্যৱস্থালৈ পৰিণত কৰি লাচিত বৰফুকনে এটি বৰ সংকটক আহ্বান কৰিছিল। প্ৰজাৰ মাজত বিস্তৃতভাৱে প্ৰচলিত হলেও জ্যোতিষীয়া গণনা সাৰ্বজনীন কাৰ্যপন্থা নহয়। কাৰ্যকৰীভাৱে সন্দেহমূলক উপকাৰত অহা এই গণনাবোৰৰ সহায়েৰে যুদ্ধৰ সংকটপূৰ্ণ সমস্যাবোৰ কোনো সেনাপতিয়ে নিয়ন্ত্ৰণ কৰা উচিত নহয়। বৈজ্ঞানিক গণনা বুলি ধৰিলেও তাত ক'ৰবাত ভুল হব পাৰে। অচ্যুতানন্দ দলৈৰ সততাৰ বিষয়ে কোনেও মাত মাতিব নোৱাৰিলেও সেই ব্যৱসায়ৰ আন মানুহৰ সততাৰ বিষয়ে সন্দেহ থাকিব পাৰে। অন্যান্য সমসাময়িকসকলৰ দৰে লাচিত বৰফুকনে এজন মানুহৰ সিদ্ধান্তৰ ওপৰত বৰ নিৰ্ভৰ কৰিছিল, এইটো তেওঁৰ পক্ষে ভুল হৈছিল, যদিও, যেনহিলৈ মৰাত পলম হোৱাৰ কাৰণে কোনো বিষম পৰিণাম হোৱা নাছিল। এই ভুল যে কিমান সংকটপূৰ্ণ আছিল ৰামসিংহই দৈবজ্ঞৰ ৰাজভক্তি

স্খলন কৰাৰ বাবস্বাব চেষ্টাবপৰা আমি উপলব্ধি কৰিব পাৰোঁ।

গুৱাহাটীৰ চাবিওমেৰৰ দুৰ্গৰ অতি কাষৰতে শত্ৰু সৈন্য তৈয়াৰ হৈ আছিল। ইয়াবপৰা অসমৰ স্বাধীনতা যে সংকটপূৰ্ণ হৈছিল তাক লাচিত বৰফুকনে ভালকৈ বুজিছিল। এই উপলব্ধিয়েই হৈছে বৰফুকনৰ স্বদেশ প্ৰেমৰ উৎস। দুৰ্গৰ ওপৰত উঠি তেওঁ ৰাম-সিংহৰ বাহবত বিপুল সৈন্যবাহিনীৰ আড়ম্বৰ দেখা পালে। প্ৰত্যক্ষ দৰ্শক এজনে কৈছে,—"এই দৃশ্য দেখি বৰফুকনে চকুলো টুকিবলৈ ধৰিলে, বোলে,—মই ফুকনৰ দিনত এনে দশা হ'ল! মোৰ ৰজা ৰক্ষা হব কেনেকে? ৰাইজ ৰক্ষা হব কেনেকে? পাচলৈ বা ৰক্ষা হব কেনেকে?" এইবুলি কৈ ফুকন অস্থিৰ হৈ পৰিল। ফুকনে জানিছিল যে যিমানেকি দুৰ্গৰ দ্বাৰা সুৰক্ষিত হওঁক আৰু যিমানেকি যুদ্ধৰ কাৰণে সষ্টম হওঁক, যুদ্ধৰ শেষফলৰ কথা কোনেও আগতে কব নোৱাৰে।

অসমীয়াসকলে ৰজাক সকলো প্ৰকাৰৰ উদ্যম আৰু অনুপ্ৰেৰণাৰ আদিমূল বুলি ভাবিছিল। লাচিত বৰফুকনৰ পৰম সৌভাগ্য যে তেওঁ চক্ৰধ্বজসিংহ স্বৰ্গদেৱক ৰাজ্যৰ সৰ্বনিয়ন্তা স্বৰূপে লাভ কৰিছিল। এইজনা ৰজাৰ দেশপ্ৰেম আৰু আত্মসন্মানৰ তুলনা অসম বুৰঞ্জীত অতি কমহে পোৱা যায়। আগবজনা স্বৰ্গদেৱে এৰি থৈ যোৱা অপমানজনক কাৰ্যাৱলীৰ পৰিণামত চক্ৰধ্বজসিংহই পোনতে কিছু দুখ পাইছিল। ১৬৬৩ চনত নিৰ্ধাৰিত কৰা পেচকচৰ বাকী থকা অংশ দিবলৈ মোগলে টানি ধৰাত চক্ৰধ্বজসিংহই নিজৰ অৱস্থাক তলতীয়া ৰজাৰ দৰে বুলি ভাবি কৈছিল,—"বঙালৰ অধীন হৈ থকাতকৈ মৰণেহে যুগুত"। এইবুলি পুনৰ যুদ্ধ কৰিবলৈ সিদ্ধান্ত কৰিলে। স্বৰ্গদেৱৰ তীব্ৰ আগ্ৰহ মহামন্ত্ৰী বুঢ়াগোহাঁই ডাঙৰীয়াই যথাসময়ত দমন কৰিলে। ডাঙৰীয়াই বুজালে যে তেতিয়ালৈকে যুদ্ধৰ আহিলা-পাতি যথেষ্ট পৰিমাণে গোট খোৱা নাই। স্বৰ্গদেৱে

নিজে যুদ্ধৰ আয়োজনৰ কাম-কাজ চাই ফুৰিবলৈ ধৰিলে, কাৰেঙৰ গড়ৰ ভিতৰত কমাৰ শাল পাতিলে, নিজহাতে কাঁড়ীক শিকালে, আৰু অৱশেষত সন্তুষ্ট হ'ল যে সকলো আয়োজন সম্পূৰ্ণ আৰু জোখৰ হৈছে।

ইতিমধ্যে চক্ৰধ্বজসিংহ স্বৰ্গদেৱে মোগলৰ গতিৰোধ কৰিবৰ মনেৰে সহযোগ আৰু সমৰ্থন বিচাৰি ওচৰ-চুবুৰীয়া নৃপতিসকললৈ উকীল-পত্ৰ পঠিয়াইছিল। স্বৰ্গদেৱে সেইসময়ত লিখা পত্ৰৰ পৰা তেওঁৰ দেশপ্ৰেম আৰু আত্মসন্মানৰ কথা আমি ভালকৈ ধাৰণা কৰিব পাৰোঁ। ১৬৬৪ চনৰ জুনমাহত স্বৰ্গদেৱে কোচবেহাৰৰ ৰজা প্ৰাণনাৰায়ণলৈ লিখিছিল,—"মোগলক বাবস্থাৰ যেমতখান কৰিছোঁ তাকো তুমি আপুনি সমস্তকে জানা। কিন্তু বিধাতাএ যদি আমাক একবাৰ ঘটাইছে বাৰস্থাৰ নিকি আমাৰ এমন হৈব"। ১৬৬৫ চনৰ ফেব্ৰুৱাৰী মাহত চক্ৰধ্বজসিংহই প্ৰাণনাৰায়ণলৈ আকৌ লিখি পঠিয়ালে,—"মোগলে আমাক এবাৰ ঘটুৱাইছে, কিন্তু সেইবুলি আমি আমাৰ এই অপমান দূৰ কৰিবলৈ যত্ন নকৰি থাকিম নে"?

নতুন সৈন্যৰ সেনাপতিৰূপে লাচিত বৰফুকনৰ নিৰ্বাচনত স্বৰ্গদেৱৰ অন্তদৃ'ষ্টি আৰু দূৰদৰ্শিতাৰ ভাল প্ৰমাণ পোৱা যায়। ভুলকৈ বচা সেনাপতি হোৱা হলে তেওঁ অন্যভাৱে আচৰণ কৰিলেহেতেন। কিন্তু স্বৰ্গদেৱে এই ক্ষেত্ৰত বচা সেনাপতিজন স্বৰ্গদেৱৰ উদ্যম আৰু দেশপ্ৰেমৰ দ্বাৰা অনুপ্ৰাণিত হৈছিল। আৰু তেওঁ মোগলক গুৱাহাটীৰপৰা খেদাবলৈ সমৰ্থ হৈছিল। স্বৰ্গদেৱৰ মনোবাঞ্ছা পূৰ্ণ হোৱাত তেওঁ এই বুলি মাথোন আনন্দ প্ৰকাশ কৰিলে,—"এতিয়াহে মই সুখেৰে ভাত এগৰাহ খাব পাৰিম"। স্বৰ্গদেৱৰ পৰাক্ৰমশালী ব্যক্তিত্ব, আৰু দেশৰ লুপ্ত গৌৰৱ ওভোতাই অনাত কৃতকাৰ্যতাৰ কাৰণে চক্ৰধ্বজসিংহ মহাৰাজৰ নাম অসম বুৰঞ্জীত চিৰস্মৰণীয় হৈ থাকিব।

তিনিজনা বীৰপুৰুষৰ ভিতৰত তৃতীয়জন আছিল মহামন্ত্ৰী আতন

বুঢ়াগোহাঁই ডাঙৰীয়া। তেওঁ স্থিৰ আৰু দূৰদৰ্শী পৰামৰ্শেৰে স্বৰ্গদেৱ চক্ৰধ্বজসিংহ আৰু লাচিত বৰফুকনৰ অসংযত প্ৰস্তাবক দমন কৰিছিল। বুঢ়াগোহাঁই ডাঙৰীয়া এজন উচ্চথাপৰ ৰাজনীতিজ্ঞ পুৰুষ আছিল। তেওঁৰ গ্ৰহণযোগ্য আৰু যুক্তিপূৰ্ণ উপদেশক ৰজা আৰু বিষয়াই অতিশয় মূল্য আৰোপণ কৰিছিল। বুঢ়াগোহাঁই ডাঙৰীয়া এজন মহা যোদ্ধাও আছিল, আৰু তেওঁ লথিয়া পৰ্বতত বাহৰ পাতি উত্তৰবাহিনী সৈন্যক পৰিচালনা কৰিছিল। লাচিত বৰফুকনে বুঢ়াগোহাঁইৰ সৈতে সঘনে আলোচনা কৰিছিল, আৰু সকলো লাগতিয়াল সিদ্ধান্ত দুয়োজন পুৰুষৰ ভিতৰত হোৱা আলোচনাৰ পৰিণতি আছিল। বুঢ়াগোহাঁই এজন বিচক্ষণ সামৰিক কাৰিকৰো আছিল, আৰু গুৱাহাটীৰ চাৰিওফালৰ দুৰ্গ তেওঁৰ দ্বাৰা পৰিকল্পিত আৰু তেওঁৰ তত্ত্বাবধানত নিৰ্মিত হৈছিল।

আতন বুঢ়াগোহাঁইৰ দৰে বহুমুখী প্ৰতিভাসম্পন্ন পুৰুষ এজনৰ সহযোগে অসমীয়াৰ জয়লাভত অতি সহায় কৰিছিল। ৰামসিংহই অসমীয়া সেনাপতিসকলৰ বিষয়ে বাতৰি সংগ্ৰহ কৰিছিল, আৰু তেওঁ আতন বুঢ়াগোহাঁইৰ বিষয়ে কৰা মন্তব্যৰ মৰ্ম হ'ল এই,—"ইমান কোমল বয়সতে মানুহ ইমান চোকা হব পাৰে, তাক দেখি মই আচৰিত হৈছোঁ। আগলৈ বয়স বাঢ়িলে এওঁক কোনে বলে পাৰিব ? যি দেশত এনে এজন মন্ত্ৰীৰ জন্ম হৈছে সেই দেশ ধন্য"।

প্ৰস্তাবিত কাৰ্যপন্থা ভুলভাৱে পৰিকল্পিত হোৱা দেখিলে বুঢ়াগোহাঁইয়ে নিজৰ মৌলিক চিন্তা আৰু অন্তৰ্দৃষ্টিৰ সহায়েৰে সেই কাৰ্যপন্থাৰ এটি নতুন বিধিৰ সংকেত দিব পাৰিছিল। চক্ৰধ্বজসিংহই মোগলৰ বিৰুদ্ধে ততালিকে যুদ্ধ কৰিব লাগে বুলি সিদ্ধান্ত কৰিলে। বুঢ়াগোহাঁইয়ে 'বঙালৰ আইচৰ্টি সহিব নোৱাৰি' বুলি স্বৰ্গদেৱৰ প্ৰস্তাৱ গ্ৰহণ কৰিলে। বুঢ়াগোহাঁয়ে ক'লে,—"দেৱতাই উত্তমকেহে কৈছে, পাৰিত পক্ষে যেন আজিয়েই ধৰিম। কিন্তু সৈন্যক আহিলা-পাতি জোৰাই দিব লাগিব। সেই আহিলা-পাতি অন্ত পৰিলে

বাবস্থাৰ দিব লাগিব। এতেকে আহিলা-পাতি বহু লাগে"। বুঢ়া-গোহাঁয়ে স্বীকাৰ কৰিছিল যে,—"সকলো দ্ৰব্যত কৰি চাউল কঠাহে প্ৰধান, তাৰ বিকল হলে কোনো কাৰ্য সিদ্ধ নহয়"। বুঢ়াগোহাঁই ডাঙৰীয়াৰ এই উক্তিয়ে ফ্ৰান্সৰ বীৰ নেপোলিয়ন বোনাপাৰ্টিৰ বাক্য মনত পেলায়,—"সৈন্যই পেটৰ ওপৰত ভৰ দিহে আগবাঢ়ি যায়"। সেই একে সময়তে বুঢ়াগোহাঁই ডাঙৰীয়াই সৈন্যৰ বিভিন্ন বিভাগত একে সুৰে আৰু একে উদ্দেশ্যে কাম কৰাৰ আবশ্যকতাৰ ওপৰত গুৰুত্ব আৰোপণ কৰে। বৰ্তমান যুদ্ধ প্ৰণালী সম্পৰ্কেও সংঘবদ্ধ আৰু এক উদ্দেশ্য প্ৰণোদিত কাৰ্যপন্থাৰ কথা সচৰাচৰে শুনা যায়। গুৱাহাটী এৰাৰ প্ৰস্তাৱত বুঢ়াগোহাঁই ডাঙৰীয়াই অসন্মত হৈছিল, বোলে,—"ৰামসিংহৰ নিবন্ধ সম্ৰাট আওৰঙ্গজেবে নামানিবও পাৰে"। স্বৰ্গদেৱে বুঢ়াগোহাঁইৰ কথাকে সমৰ্থন কৰিলে।

আলাবৈৰ দুৰ্যোগপূৰ্ণ ৰণত এদিনাখনৰ ভিতৰতে অসমৰ দহ হেজাৰ সৈন্য হানি হোৱাত লাচিত বৰফুকনে মন মাৰি আছিল। এই অৱস্থাত বুঢ়াগোহাঁই ডাঙৰীয়াই যি উপদেশ দিছিল তাৰপৰা তেওঁৰ সুগভীৰ জ্ঞান আৰু আত্মবিশ্বাসৰ ভাল দৃষ্টান্ত পাওঁ। বুঢ়া-গোহাঁয়ে কৈছিল,—"এইদৰে সেনা হানি হোৱাত আমি যুদ্ধ জয়ৰ আশা এৰিব নালাগে। বাৰীৰ ভিতৰত পুখুৰী সিচোঁতেও আঠোটা-দহোটা মানুহক শিঙিয়ে বিন্ধে। শেহলৈ গৈ আমি ডাঙৰ মাছ কিমান ধৰিব পাৰো তালৈহে চকু দিব লাগিব। এইটো ৰণ হে হৈছে, এই জানি দুই-চাৰি লোক কিয় নপৰিব"?

এই তিনিজনা বীৰৰ বাহিৰেও অন্যসকল সেনাপতিয়ে একনিষ্ঠ-ভাৱে নিজৰ কৰ্তব্য সম্পাদন কৰিছিল। বেলেগ বেলেগ ঠাইত সৈন্য নিয়োজনৰ বিবৰণীত সেনাপতিসকলৰ নামৰ উল্লেখ আছে, আৰু এখন সমসাময়িক বুৰঞ্জীত তেওঁলোকৰ গঢ়-গতিৰ আৰু প্ৰকৃতিৰ এইৰূপে সংকেত দি আহিছে,—"এই সেনাপতিজন চুটি-চাপৰ আৰু অতি খৰকৈ চলা-ফুৰা কৰে, এওঁক দেখিলে ভয় লাগে, এইজনা

সেনাপতিয়ে আৱাও কৰি নিজৰ আদেশ আৰু উপদেশ ঘোষণা কৰিছিল, তেওঁ যলৈকে গৈছিল ত'তে তেওঁ যোৱা কথা মানুহে গম পাইছিল, এইজনা সেনাপতিয়ে কোনো এঠাইত থিৰ হৈ শান্তিৰে থাকিব নোৱাৰিছিল আৰু তেওঁ সদায় ইফাল-সিফাল কৰি থাকিবলৈ ভাল পাইছিল, এইজনা সেনাপতিয়ে শত্ৰুৰ দৰ্প-চূৰ্ণ কৰাৰ ইঙ্গিত দি ইফালে-সিফালে ফুৰা-চকা কৰিছিল"। এইবোৰ সংক্ষিপ্ত আভাসৰ-পৰা বুজিব পাৰি যে জয়লাভৰ দৃঢ়প্ৰতিজ্ঞাই সকলো সেনাপতিক অনুপ্ৰাণিত কৰিছিল। ৰামসিংহলৈ পঠোৱা প্ৰত্যুত্তৰৰপৰা তেওঁলোকৰ নিৰ্ভীকতা আৰু দেশপ্ৰেমাত্মক সংকল্পৰ পৰিচয় পাওঁ। ৰামসিংহই বুঢ়াগোহাঁইৰ ফুকনক এবাৰ লগ পাবলৈ ইচ্ছা কৰিছিল। ইয়াৰ উত্তৰত ফুকনে কৈ পঠিয়ালে বোলে—"মোৰ সলনি মোৰ দহহেজাৰ সৈন্য পঠিয়াম, সিহঁতে গৈ ৰাজপুত ৰজাৰ সৈন্যক পিহি ঠেটেলা কৰিব"। অসমীয়া সেনাপতি কোৱামৃদ্ধাই নাচোন নাচি মুক্তি লাভ কৰিছিল, ইয়াৰপৰা যুদ্ধ-বিগ্ৰহতো সুকুমাৰ ক'লা প্ৰয়োগৰ দৃষ্টান্ত পাব পাৰি।

অসমৰ দূত বা কটকী সকলো সেই একে সংকল্পৰদ্বাৰা অনু-প্ৰাণিত হৈছিল। ৰামসিংহই তেওঁলোকৰপৰা অসমৰ বিষয়ে কোনো গুপ্ত সংবাদ লাভ কৰিব নোৱাৰিলে। আনপক্ষে অসমৰ অপৰাজেয়তা আৰু মোগলৰ অনিবাৰ্য পৰাজয়ৰ বিষয়ে কটকীয়ে তেওঁৰ বিশ্বাস বদ্ধমূল কৰিলে। বাণী কটকী আৰু কলীয়া কটকীয়ে এইদৰে ডাঠকৈ কলে, বোলে,—"আহোমে ৰাতি যুঁজ নকৰি নোৱাৰে, কাৰণ তেওঁলোকৰ সৈন্যৰ মাজত একলাখ ৰাক্ষস আছে, সেইবোৰে মানুহ খায় আৰু নিশা ঘূৰি ফুৰে"। মাধবচৰণ কটকীয়ে ৰামসিংহক জনালে, বোলে,—"অসংখ্য পাহাৰী ৰজাই আমাৰ লগত যোগ দিছে। তেওঁলোকে ভাল-বেয়া একো নুবুজে। তেওঁলোকে স্বৰ্গদেৱৰ অনুমতি লৈ যুদ্ধত যোগ দিছে, আৰু বৰফুকনৰ আজ্ঞালৈ বাট নাচাই তেওঁলোকে শত্ৰুক ধৰিবলৈ চোঁচা মাৰি যায়।

তেওঁলোকে হঠাতে আহি আক্ৰমণ কৰে, আৰু তেওঁলোকৰ গতি-বিধি কেৰেঁ তৰ্কিব নোৱাৰে"।

শত্ৰুৰ মনত আতংকৰ সৃষ্টি কৰাৰ কাৰণে মাধবচৰণৰ বৰ্ণনা অতিৰঞ্জিত হলেও তাত ভালেখিনি সত্য নিহিত আছিল। অসমৰ ওচৰে-পাজৰে থকা সামন্ত ৰজাসকল যুদ্ধৰ কালত আহোমক সহায় কৰাৰ নিমিত্তে পূৰ্বৰ নিবন্ধমতে বাধ্য আছিল, আৰু তাৰ কটোৱে পোনপটীয়াকৈ স্বৰ্গদেৱৰ বশ্যতা স্বীকাৰ কৰিছিল। কোচবেহাৰৰ প্ৰাণনাৰায়ণ ৰজা আৰু জয়ন্তীয়াৰ যশমত্তৰায় ৰজাৰ উৎসাহপূৰ্ণ বাক্যৰপৰা আমি জানিব পাৰো যে উভয়ৰে শত্ৰু মোগলক পৰাস্ত কৰাত সহায় কৰিবলৈ তেওঁলোকৰ ইচ্ছা আছিল। প্ৰাণনাৰায়ণ ৰজাই জয়ধ্বজসিংহ স্বৰ্গদেৱলৈ লিখিছিল,—"তোমাৰ যে ৰাজ্যচ্যুত হৈছিল ইয়াৰ কাৰণে তোমাৰ কোনো দুখ কৰিবৰ উচিত নহয়। দেখ, ৰামচন্দ্ৰ, সুৰথ, যুধিষ্ঠিৰ, এইসকলবো ৰাজ্যচ্যুত হৈছিল। কিন্তু, তামৰাসকলে উদ্যোগ কৰিয়া ৰাজ্য ফিৰিয়া লৈলেক নিমিত্তে তাহাৰ অকীৰ্তি নাহ'ল"। কোচবেহাৰৰ ৰজাই আৰু লিখিলে,—"আমি দুয়ো যদি একচিত্ত হৈ ৰণ কৰিব পাৰোঁ তেনেহলে শত্ৰুয়ে একো সুবিধা নাপাব, আৰু প্ৰতিশোধৰ বাবে দৈৱই আমাক সহায় কৰিব"। জয়ন্তীয়া ৰজাৰ পত্ৰও একে ধৰণৰে ইচ্ছাৰ পৰিচয় আছিল,—"জয়ন্তীয়া আৰু গড়গাওঁ দুই নাহয়। তোমাৰ দেশ নামাৰিছে যেন আমাৰ দেশহে মাৰিছে, আমাৰ মনে এমত দুখ লাগিছে"। নৰ্তঙ্গীয়া ৰজা মাণিকসিংহৰ পত্ৰতো বিশেষ আন্তৰিকতা আৰু সহযোগিতাৰ আভাস পোৱা গৈছিল,—"তোমাৰ দেশ বঙালে মাৰিলে আমি কুশলে বসি আছিলোঁ। হুকুম নাকৰিলাম, আমাৰ-লোক যে তোমাৰ কাৰ্যত নাহিল ই কাৰণতহে আমাৰ মনত অসন্তোষ হৈছে। এমন সময়ত তোমাৰ সাত নাদিলাম আমি দুখে লজ্জিত হুয়াছি। এতেকে কোনোদিন শত্ৰু নিৰ্যাত কৰি যদি গুচাইবা পাৰি তেবেসে আমাৰ এই লজ্জা যায়"। মোগলৰ বিৰুদ্ধে

ৰণৰ সহায়ৰ কাৰণে আহোমলৈ এফৌজ শক্তিশালী সৈন্য পঠিয়াবলৈ জয়ন্তীয়াৰ ৰজা যশমত্তৰায়ে আয়োজন কৰিলে।

কৰতলীয়া ৰাণী ৰজাই এই যুগৰ যুদ্ধত অতি সুখ্যাতিৰে অংশ গ্ৰহণ কৰিছিল। তেওঁ এফৈদ পলৰীয়া মোগলক পাণ্ডুত ধৰি সিহঁতৰ আঙুলি কাটি বৰফুকনলৈ পঠিয়াই দিছিল। ৰামসিংহই দৰঙ্গেদি গুৱাহাটী সোমাব খুজিছিল, ৰাণী ৰজাৰ চেষ্টাত ৰামসিংহৰ এই যত্ন ব্যৰ্থ হ'ল। তেওঁৰ বীৰত্বপূৰ্ণ কাৰ্যকলাপৰ বাবে স্বৰ্গদেৱে ৰাণী ৰজাক প্ৰচুৰ পৰিমাণে বঁটা দিছিল।

অন্যান্য কৰতলীয়া ৰজায়ো এইদৰে সহায় কৰিছিল। পাচলৈ ৰুদ্ৰসিংহ স্বৰ্গদেৱে বঙালদেশ আক্ৰমণৰ বেলিকা, দৰঙ্গ, বেলতলা, ৰাণী, ন-দুৱাৰ, টোপাকুছি, ডিমৰুৱা, জয়ন্তীয়া আৰু কাছাৰ, এই সকলো ৰজাই দুকুৰি-হেজাৰ সৈন্যেৰে সহায় কৰিছিল। সেইদৰে বৰদুৱাৰ, পাণতন, ভোলাগাওঁ, পাণবাৰী, কূলতা, নেলী, গোভা, হোজাই, গৰখীয়া, এই সকলৰ ৰজায়ো সৈন্য দি সহায় কৰিছিল। কোনে কিমান সৈন্য দিছিল তাৰ সংখ্যা এতিয়া জানিব নোৱাৰি। সামন্ত-ৰজাসকলৰ সুখ-সুবিধাৰ কাৰণে ৰুদ্ৰসিংহ স্বৰ্গদেৱে বৰ চিন্তা কৰিছিল। তেওঁ কৈছিল যে নিজৰ সৈন্যই কষ্ট ভুগিলে তেওঁ যি দুখ পাব তাতোকৈ বেছি দুখ পাব লগ ধৰা কছাৰী আৰু জয়ন্তীয়াপুৰৰ ৰজাৰ সৈন্যই খাবলৈ নেপাই কষ্ট পালে। অসমৰ সীমান্ত সৈন্যই যুদ্ধ-বিগ্ৰহ আদিত অংশ গ্ৰহণ কৰাৰপৰা ভালকৈ বুজিব পাৰি যে সকলো জাতীয় সংকটৰ বেলিকা তেওঁলোকৰ সহযোগ আৰু সমৰ্থন অসমে লাভ কৰিছিল।

প্ৰলোভনৰ হাতসাৰিবপৰা অসমীয়াৰ নেতৃত্ব আৰু সংগঠনমূলক আয়োজন দেখি ৰামসিংহই তেওঁৰ কৃতকাৰ্যতাৰ বিষয়ে সন্দেহ কৰিছিল, আৰু পূৰ্বভাৰতলৈ যাত্ৰা কৰাৰ পূৰ্বে গুৰু টেগবাহাদুৰক কোৱা কথাখিনি প্ৰতিফলিত হৈছিল। অসমৰ আয়োজন দেখি ৰামসিংহই কৈছিল,—"আমাৰ হিলৈয়ে শত্ৰুক নাপায়গৈ,

আৰু কাঁড় বন্দুক মাৰিবলৈকো সুবিধা নাই। চাৰিওমেৰে এনে দুৰ্গ সাজিছে, তাৰ কাৰণে অসমৰ মন্ত্ৰী, সেনাপতি আৰু পদাতি সৈন্যক প্ৰশংসা কৰিব লগীয়া"। একো উপায় নাপাই ৰামসিংহই অসমৰ কটকীক সুধিছিল,—"মই হেন সেনাপতিয়েওঁ থলত থাকি একো ছিদ্ৰ নেপাও কিয়? আহোমৰ বল-বুদ্ধি আৰু ৰণ-কৌশল কেনে বিধৰ, আৰু তেওঁলোকক ৰণত ঘটুৱাব নোৱাৰাৰে বা কাৰণ কি"? যুদ্ধৰ সামৰণিত ৰামসিংহই কলে,—"অসমক এই কাৰণেহে বলে নোৱাৰি, বৰফুকন এজন ডাঙৰ যোদ্ধা, চক্ৰাকৃতি বেহু, আৰু আগবাঢ়ি ধৰিবলৈ ক'তো ছিদ্ৰ নাই"। অসমীয়াৰ সংগঠন শক্তি, বহুমুখী প্ৰতিভা, আৰু সাহসিকতা প্ৰশংসা কৰি ৰামসিংহই কলে, —"ধন্য ৰজা, ধন্য মন্ত্ৰী, ধন্য সেনাপতি, ধন্য সেনা, এক আদমীয়ে সকলো সেনা চলাইতে পাৰে! মই হেন ৰামসিংহ থলত থাকিও ছিদ্ৰ নেপাওঁ"। অসমীয়া সৈন্যৰ সৰ্ববিধ গুণৰ বিষয়ে ৰামসিংহই কলে,—"প্ৰতিটো অসমীয়া সেনা নাও মৰাত, কাড় মৰাত, খাৱৈ খন্দাত, বন্দুক আৰু হিলৈ মৰাত পৈণত। এনে ধৰণে সকলো কামতে ওস্তাদ সৈন্য মই ভাৰতত ক'তো দেখা নাই"। তেওঁৰ দুখলগা অভিজ্ঞতা সম্পৰ্কে ৰামসিংহই এইদৰে সংক্ষেপকৈ মন্তব্য প্ৰকাশ কৰিছিল, "অসমৰ সন্মুখে যি আহিব তাৰ গালত হাড়ীৰ বাঢ়নীৰে কোবাব"।

অম্বেৰৰ ৰাজপৰিয়ালৰ দুগৰাকী মহিলাই অসমীয়াৰ ধৰ্মপৰায়ণ চৰিত্ৰৰ বিষয়ে যি অভিমত প্ৰকাশ কৰিছিল সেয়ে আছিল অসমীয়াৰ সম্পৰ্কে সৰ্বশ্ৰেষ্ঠ প্ৰশংসাৰ বাণী। ৰামসিংহৰ মাতৃদেৱী আৰু তেওঁৰ মহিষীয়ে লিখি পঠিয়াইছিল, বোলে,—"আমি শুনিছোঁ, সেইদেশত ঘৰে ঘৰে নাম কীৰ্ত্তনৰ মহিমা প্ৰবৰ্তন হৈছে, আৰু তাত গো-ব্ৰাহ্মণ বৈষ্ণৱে, মহাসুখে বসতি কৰিছে। এনে প্ৰজাক বশলৈ আনিলে কি পৰিণাম হব তাক তুমি জানা। আৰু চোৱা, অসমদেশ মাৰি মীৰজুমলা নবাব কতকাল বৰ্ঞ্চিব পাৰিলে?" এই সাৱধান বাণীৰ লগত

গুৰু টেগবাহাদুৰক ৰামসিংহই কোৱা কথাখিনিৰ যথেষ্ট মিল আছে, "সম্রাটে মোক মাতি পঠিয়াই কামৰূপ বশ কৰিবলৈ কলে। এই কথা শুনি মই ঘৰলৈ গৈ মোৰ মাতৃ আৰু মহিষীসকলক সম্রাটৰ আজ্ঞাৰ বিষয়ে কলোঁ। তেওঁলোকে ভয় খাই সুধিলে, বোলে, মই মৰিবলৈ বাঞ্ছা কৰোঁনেকি?" তেওঁলোকে আৰু বুজালে যে— "মীৰজুমলাৰ দৰে সাহসী বীৰ আন কোনো নাছিল, তেন্তে যদি অসমলৈ গৈ প্ৰাণ এৰিলে আনৰ আৰু কি আশা হব পাৰে"? অম্বেৰৰ ৰাজপৰিয়াল একনিষ্ঠ বৈষ্ণব আছিল। বৃন্দাবন, গকুলপুৰ, বাৰাণসী, পুস্কৰ, আৰু হৰিদ্বাৰত তেওঁলোকে মন্দিৰ নিৰ্মাণ কৰিছিল, ইয়াৰ-পৰা বৈষ্ণব ধৰ্মৰ প্ৰতি তেওঁলোকৰ অনুৰাগৰ প্ৰমাণ হয়। ৰাজ-পুতনাৰ ৰাজমহিষী দুগৰাকীৰ মতে অসম এখন সুপবিত্ৰ ৰাজ্য আছিল; এই ৰাজ্যৰ শান্তি কোনেও ভঙ্গ কৰা উচিত নহয়, কাৰণ এনে কৰিলে ভঙ্গকাৰীৰ ওপৰত তাৰ পোটক নপৰাকৈ নাথাকে। ইয়াৰ উদাহৰণ হৈছে অসম এৰি যোৱাৰ অলপ পাচতে মীৰজুমলাৰ মৃত্যু।

অম্বেৰৰ ৰাজমহিষী দুগৰাকীয়ে অসমৰ সৰ্বত্ৰ প্ৰবৰ্তিত নাম-কীৰ্তনৰ কথা কৈছিল। মহাপুৰুষ শঙ্কৰদেৱ, মাধবদেৱ, দামোদৰদেৱ আৰু তেওঁলোকৰ ভক্ত সন্ত-মহন্তৰ সহায়ত প্ৰতিষ্ঠিত হোৱা বৈষ্ণব ধৰ্মৰ পুনৰ উত্থানৰ সুফল হৈছে এই নাম-কীৰ্তন। গোটেই দেশতে বৈষ্ণবৰ সত্ৰ স্থাপিত হয় আৰু শ্ৰীকৃষ্ণৰ মহিমা দেখুৱাবৰ উদ্দেশ্যে গাঁৱৰ নামঘৰ আৰু পৰিয়ালত থকা কীৰ্তন-ঘৰত ভাৱনা আৰু গীত-প্ৰসঙ্গৰ অনুষ্ঠান হয়। শঙ্কৰদেৱ আৰু তেওঁৰ ভক্তসকলে ৰচনা কৰা গীত সঙ্গীতৰ সুৰেৰে গোৱা হয়। অসমৰ ইমূৰৰপৰা সিমূৰলৈকে নাম-কীৰ্তনৰ ধ্বনিত গাঁওবোৰ মুখৰিত হৈছিল, বিশেষকৈ সন্তসকলৰ তিথি আৰু শ্ৰীকৃষ্ণ সম্পৰ্কীয় তিথিসমূহত। সুপ্ৰসিদ্ধ সন্ত নিৰঞ্জনদেৱ আৰু বনমালী গোসাঁইৰ সঙ্গ লোৱাত আহোম স্বৰ্গদেৱ জয়ধ্বজসিংহ, চক্ৰধ্বজসিংহ আৰু উদয়াদিত্য সিংহ বৈষ্ণব ধৰ্মৰ প্ৰভাৱত পৰে।

নাম-কীৰ্তনৰ সৰ্বজনপ্ৰিয়তা আজিলৈকে প্ৰৱৰ্তি আহিছে। পূব অসমৰ মাজুলী অঞ্চলত অধিক সংখ্যক সত্ৰ অৱস্থিত। তালৈ গলে বৈষ্ণৱ ধৰ্মৰ তীব্ৰ সৌৰভৰ প্ৰভাৱৰ দ্বাৰা কোনোজন মুগ্ধ নোহোৱাকৈ নাথাকে।

যি অৱস্থাত পৰি ৰামসিংহ অসমলৈ আহিব লগাত পৰিছিল, আৰু অসমত তেওঁ যি অৱস্থাৰ সন্মুখীন হৈছিল তালৈ চাই অনেকে ভাবিব পাৰে যে তেওঁ কৰ্তব্য সম্পাদনত ঢিলা দিছিল। এখন পুৰণি অসম বুৰঞ্জীত স্পষ্টকৈ লিখা আছে যে সম্ৰাট আওঁৰঙ্গজেৱৰ আগত কৰা কৃষ্ণসিংহৰ অগ্নি-পৰীক্ষাৰ বাৰ্তা পাই আৰু ৰজাৰ মাতৃ আৰু মহিষীৰ সতৰ্ক বাণী শুনি ৰামসিংহ বিষণ্ণ হৈছিল, অৱশ্যে তেওঁ কৈছিল যে যুদ্ধত বিমুখ হৈ যোৱাটো তেওঁৰ পক্ষে উচিত নহব। আৰু এখন বুৰঞ্জীত আছে,—"ৰামসিংহৰ পুত্ৰক পাদশাহৰ ঠাইত মুছলমানী কৰে হেন দুঃকীৰ্ত্তি শুনি যুদ্ধ নকৰি গৈল, এই এক কথা কয়"। তৃতীয় এখন বুৰঞ্জীত আছে,—"ৰামসিংহই বৰফুকনলৈ বাৰম্বাৰ গুৱাহাটী খোজাৰ কাৰণ এই: অসমলৈ অহাৰ পূৰ্ব্বে ৰামসিংহই পাদশাহৰ আগত সত্য-শপত কৰিছিল।" পাদশাহেওঁ তেওঁক অসম জিনিব পাৰিলে ওমৰাও পাতিম বুলি অঙ্গীকাৰ কৰিছিল। পাদশাই আৰু কৈছিল, বোলে,—"যদিহে নোৱাৰ তোৰ গৰ্দন মাৰিম, আৰু তোৰ ল'ৰা-ছোৱালী বেটী-বন্দীক তোৰ দেশৰ আঁতৰলৈ নি মাৰিম"।

যি অৱস্থাত পৰি ৰামসিংহ গুৱাহাটীলৈ আহিছিল, আৰু ইয়ালৈ আহি যিবোৰ কথা শুনিছিল সেইবোৰ নিশ্চয় হতাশলগা আৰু নিৰুৎসাহজনক আছিল। কিন্তু কৰ্তব্য সম্পাদনত তেওঁ আওঁকণীয়া হৈছিল বুলি অভিযোগ আনিলে ৰাজপুতৰ চৰিত্ৰৰ বিষয়ে অজ্ঞতাৰ প্ৰমাণ হয়। কৰ্তব্যত ঢিলা আৰু আওঁকাণ হৈছে বিশ্বাসঘাতকতা বুজোৱা বাক্যৰ মৃদু ৰূপান্তৰ মাথোন আৰু বিশেষকৈ, এইটো সকলোৱে জানে যে ৰাজপুতে এবাৰ প্ৰতিজ্ঞা কৰিলে তাক প্ৰাণ

COLL

দিও পূৰ্ণ কৰিব। কৰ্তব্যপৰায়ণতা ৰাজপুত চৰিত্ৰৰ মজ্জাগত। প্ৰাচীন আৰু সম্ভ্ৰান্ত কচ্ছোৱা বংশত জন্ম লৈ ৰামসিংহই বিশ্বাস ভঙ্গ কৰি বংশৰ কলংক আনিবলৈ নিবিচাৰিছিল, এই ধ্ৰুপ।

আওৰঙ্গজেৱ পাদশ্যাহৰ পুতেক চুলতান আকবৰে এবাৰ সম্ৰাটলৈ লিখিছিল,—"ৰাজপুতসকল ৰাজভক্তি আৰু সাহসৰ কাৰণে প্ৰশংসাৰ যোগ্য, এই বিষয়ে কাৰো সন্দেহ নাই"। ভেনিচৰ পৰিব্ৰাজক মেনুক্কিয়ে ৰাজপুতসকলক ভালকৈ জানিছিল, আৰু তেওঁ জয়সিংহৰ তলত চাকৰি কৰিছিল। মেনুক্কিয়ে কৈছিল,—"মুঠতে কবলৈ হলে, ৰাজপুতসকল নিৰীহ আৰু ধৰ্ম্মপৰায়ণ, তেওঁলোকে প্ৰতিজ্ঞা ৰক্ষা কৰে, আৰু তেওঁলোকে মুখৰপৰা ওলোৱা বাক্যক প্ৰমাণিত খট হিচাবে শ্ৰদ্ধা কৰে"। ৰাজপুতসকলৰ বুৰঞ্জী লিখোঁতা জেমচ্ টড্ চাহাবে ১৮২৯ চনত লিখি থৈ গৈছে,—"এজন ৰাজপুতক যদি সোধা, সবাতোকৈ দোষণীয় অপৰাধ কি, তেওঁ কব 'গুণচোৰ', অৰ্থাৎ অনুগ্ৰহ পাহৰা বুলি। অকৃতজ্ঞতা বুজাবৰ অৰ্থে-এই 'গুণচোৰেই' হৈছে সবাতোকৈ শক্তিশালী বাক্য। জীৱনৰ সকলো কৰ্তব্য কৃতজ্ঞতাৰ অন্তৰ্ভুক্ত আৰু ইয়াক স্বয়ম্‌ধৰ্ম বা প্ৰভুনিষ্ঠাৰপৰা বেলেগ কৰিব নোৱাৰি। যিজনৰ এইবোৰ গুণ নাই তেওঁক জীয়াই থকাৰ অযোগ্য বুলি ভবা যায়, আৰু তেওঁ মৰণান্তে চিৰকাল যমৰ যন্ত্ৰণা ভুগিব লগাত পৰে"। টড্ চাহাবে আৰু কৈছে,—"ৰাজপুতৰ চৰিত্ৰৰ বিষয়ে ৰজাঘৰীয়া বুৰঞ্জী লিখকসকলৰপৰা জানিব পাৰোঁ আকবৰ, জাহাঙ্গীৰ আৰু আওৰঙ্গজেৱৰ দিনলৈকে। এইকেজনা সম্ৰাটৰ সুপ্ৰসিদ্ধ দিগ্বিজয়সমূহো ৰাজপুত মিত্ৰৰজাসকলৰ দ্বাৰা সম্পাদিত হৈছিল। অৱশ্যে আওৰঙ্গজেৱ পাদশ্যাহে ৰাজপুতসকলৰ অভিমতক সন্মান নকৰাৰ পৰিণামত তেওঁলোকৰ সহযোগিতা হেৰুৱালে। ৰাজপুতসকলৰ লগত ভাল ব্যৱহাৰ কৰাৰ ফলত তেওঁলোকে একালত ককেচাচ বৰফৰ মাজত আফগান সৈন্যৰ সৈতে যুদ্ধ কৰিছিল, আৰু সুদূৰ চেৰোচিনিচ ৰাজ্য মোগলৰ কৰতলীয়া

কৰিছিল। বৰ্তমানে অসমদেশত বৃটিছ সৈন্য লিপ্ত হৈ আছে, আৰু ইয়াৰ ফলাফলৰ কাৰণে বৃটেইনৰ ৰাজধানীত আতংকৰ সৃষ্টি হৈছে। এই অসমদেশ এজন ৰাজপুত ৰজাই জয় কৰিছিল, আৰু তেওঁৰ বংশধৰ আজিকালি বৃটিছ চৰকাৰৰ মিত্ৰৰজা।

ৰাজপুতসকলে বহুযুগ ধৰি মোগলৰ লগত সংসৰ্গ কৰিছিল আৰু তেওঁলোকে বহুবাৰ পাদশ্যাহী মিত্ৰসকলৰ ওপৰত অসন্তুষ্ট হৈছিল। কিন্তু নিজৰ প্ৰতিজ্ঞা আৰু শপত ভঙ্গ কৰি কোনোজনা ৰাজপুত ৰজাই বিশ্বাসঘাতকতাৰ কাম কৰা নাই। অম্বেৰৰ ৰজা মানসিংহই সদায় যুদ্ধ-বিগ্ৰহ আদিত লিপ্ত হৈ থকাৰ কাৰণে দুখ কৰিছিল, বোলে,—"মোক সকলো ৰণলৈকে পঠিয়ায়, মই বহি জিৰাবলৈ সময় নেপাওঁ, মোৰ সৈন্য অযথাভাৱে হাৰাশাস্তি হয়, আৰু সিহঁতে মোক শপে"। কিন্তু তথাপি মানসিংহই পাদশ্যাহী কাম-কাজত এদিন-লৈকো হেলা কৰা নাছিল। সম্ৰাট ছাহজাহান অম্বেৰলৈ যাওঁতে ৰাজপুত বীৰসকলে সম্ৰাটক ধৰিবলৈ জয়সিংহক উপদেশ দিছিল। ইয়াৰ উত্তৰত জয়সিংহই কলে,—"আমাৰ বংশে এনে কাম কেতিয়াও কৰা নাই। আনৰ কথা শুনি পাদশ্যাই আমাৰ প্ৰতি অন্যায় ব্যৱহাৰ কৰিব পাৰে, কিন্তু তোমালোকে কোৱাৰদৰে আমি শত্ৰুতা আচৰণ কৰা উচিত নহয়। মোগল পাদশ্যাহৰ প্ৰতি আমি কেতিয়াও বিশ্বাস-ঘাতকী হোৱা নাই"। চাটলেজ নদীৰ দক্ষিণপাৰে থকা লখী নামে হাবিত জয়সিংহই আওঁৰঙ্গজেৱক অৰক্ষিত অৱস্থাত লগ পাইছিল। পাদশ্যাহৰ লগত আছিল মাথোন পাঁচজন অশ্বাৰোহী সৈন্য, আৰু জয়সিংহৰ সঙ্গী আছিল তিনি হেজাৰ ৰাজপুত আচোৱাৰী। আওৰঙ্গজেৱক এনেদৰে অৰক্ষিত হৈ থকা দেখি জয়সিংহৰ বিষয়া-সকলে ৰজাক পৰামৰ্শ দিলে, বোলে,—"ৰজাই নিজে পাদশ্যাহক বধ কৰক, নাইবা মাৰিবলৈ আমাক অনুমতি দিয়ক"। মেনুক্সিয়ে এই বিষয়ে কৈছে, বোলে,—"আওৰঙ্গজেৱক মাৰিলে বন্দীত থকা ছাহজাহানে মুক্তি লাভ কৰিব পাৰিব আৰু এই কাৰ্যৰ দ্বাৰা জয়সিংহ

ৰজাৰ নাম পৃথিবীত প্ৰসিদ্ধ হৈ পৰিব"। কিন্তু ৰজাই এই পৰামৰ্শলৈ কাণ নিদিলে, যদিচ, সুবিধাও আছিল উত্তম, আৰু সম্পাদনো আছিল সুসাধ্য।

জয়সিংহ ৰজাৰ হিন্দু ধৰ্মৰ প্ৰতি নিষ্ঠাক জাগ্ৰত কৰিবলৈ, আৰু তেওঁৰ সমৰ্থনেৰে এটা মোগল বিৰোধী সংঘ সংগঠন কৰিবলৈ শিবাজীয়ে যত্ন কৰিছিল বুলি জনা যায়। কিন্তু জয়সিংহৰ কৰ্মপন্থাত শিবাজীয়ে কৰা যত্নৰ একো সুফল নফলিল। আনপক্ষে শিবাজী আৰু জয়সিংহ দুয়ো হিন্দু হোৱাৰ সুবিধা লৈ জয়সিংহে শিবাজীক কৰগত কৰি সম্ৰাটৰ সংকল্পক চৰিতাৰ্থ কৰিবলৈ সুবিধা পাইছিল। জয়সিংহ ৰজাই শিবাজীলৈ এইবুলি পত্ৰ দি উকীল পঠিয়ালে: "আওৰঙ্গজেৱ পৃথিবীৰ এজন প্ৰধান নৰপতি, তুমি তেওঁৰ মিত্ৰ হোৱাটো বাঞ্ছনীয়! শত্ৰুতাৰ শেষ পৰিণাম মঙ্গলজনক নহব। মই এজনা হিন্দু আৰু জয়পুৰ ৰাজ্যৰ ৰজা, আৰু তুমি উদয়পুৰ ৰাজপৰিয়ালৰ চিচোদিয়া। তুমি এটি সুপ্ৰসিদ্ধ বংশৰ সন্ততি। আমাৰ ধৰ্ম্ম ৰক্ষা কৰাটো তোমালোকৰ বংশত চলি আহিছে, আৰু তুমিও সেই উদ্দেশ্যে যত্ন কৰিছা। তোমাৰ প্ৰতি মোৰ সদ্ভাৱ অটুট আছে বুলি জানিবা। তোমাক আৰু তোমাৰ ৰাজ্যক ৰক্ষা কৰাটো হৈছে মোৰ একান্ত কামনা। তোমাৰ ইচ্ছাৰ বিষয়ে মোক জনাবা"। নিজৰ উদ্দেশ্য সাধনৰ কামত জয়সিংহই কিদৰে সৰ্বশক্তি প্ৰয়োগ কৰিছিল তাৰ বিষয়ে তেওঁ সম্ৰাটলৈ লিখি জনাইছিল,—"যি উদ্দেশ্য সাধনৰ কাৰণে মোক পঠোৱা হৈছে তাক সিদ্ধি কৰাৰ কামত মই ইমান ব্যস্ত যে দিন কি ৰাতি এক মুহূৰ্ত্তৰ কাৰণেও মই বিশ্ৰাম লব নোৱাৰোঁ আৰু আজৰি নেপাওঁ।"

ৰামসিংহৰ বিৰুদ্ধে, কৰ্তব্যসাধনত আন্তৰিকতাৰ অভাৱ, শত্ৰুৰ লগত মিত্ৰতা, বা বিশ্বাসঘাতকত অভিযোগ আনিলে ৰাজপুত চৰিত্ৰৰ বিপৰীতে যোৱা হয়। নিজৰ উদ্দেশ্য সাধন কৰিবৰ নিমিত্তে ৰামসিংহই যথাশক্তি চেষ্টা কৰিছিল। অসমত হাৰি ইমান দুখ

আৰু লাজ পাইছিল যে তেওঁ সুবিধা বিচাৰি পাঁচ বছৰ কাল সীমান্তত খাপ লৈ ১৬৭১ চনত পোৰা পৰাজয়ৰ ক্ষতিপূৰণৰ চেষ্টা কৰিছিল। ৰছিদ-খাঁই অসমৰ সৈতে মিত্ৰতা কৰিছিল বুলি ৰামসিংহই সন্দেহ কৰিছিল। ইয়াৰ পৰিণামত ৰছিদ-খাঁক মোগল শিবিৰৰপৰা খেদি পঠোৱা হয়।

অসমৰ ৰণত ৰামসিংহৰ পৰাজয়ৰ এইকেইটা ঘাই কাৰণ বুলি উল্লেখ কৰিব পাৰি,—মোগলৰ আহিলা-পাতিৰ নাটনি, ৰছিদ-খাঁৰ বিদ্ৰোহ; আৰু দুৰ্ভেদ্য গুৱাহাটীৰ গড়, অসমীয়া সেনাপতিসকলৰ অপৰাজেয় মনোভাব আৰু নিয়মানুবৰ্তিতা।

অসমত ৰামসিংহৰ পৰাজয়ৰ কাৰণসমূহ ছাৰ যদুনাথ চৰকাৰে যিদৰে বিশ্লেষণ কৰিছে তাক ইয়াত উদ্ধৃত কৰিব পাৰি,— "ৰামসিংহৰ লগত মাথোন আঠহেজাৰ অশ্বাৰোহী সৈন্যহে আহিছিল, আৰু তেওঁৰ সৈন্য ক্ষয় হলে তাক কাচিতহে পূৰণ কৰা হৈছিল। আহোমৰ সমগ্ৰ প্ৰজাই যুদ্ধৰ কাৰণে অস্ত্ৰ ধৰিছিল, আৰু তেওঁলোকে এই উদ্দেশ্যে এক লক্ষ মানুহ মুঠ কৰিছিল। পানীত আহোমসকলৰ প্ৰতিপত্তি আছিল, আৰু মোগলে মাত্ৰ দুকুৰিখন যুদ্ধৰ নাওঁ লৈ ব্ৰহ্মপুত্ৰৰ পানীত বিশেষ একো কৰিব নোৱাৰিছিল।" ছাৰ যদুনাথ চৰকাৰে তাৰ পাচত ৰছিদ-খাঁৰ অবাধ্যতা আৰু বিৰুদ্ধাচৰণৰ উল্লেখ কৰিছে। তেওঁ ৰামসিংহৰ সৈতে সমান মৰ্যাদা দাবী কৰিছিল, আৰু ৰামসিংহৰ আদেশ মানি চলিবলৈ অমান্তি হৈছিল। ৰছিদ-খাঁ আহোমৰ মিত্ৰ হৈছিল বুলিও বহুতৰ বিশ্বাস।

ৰামসিংহৰ সৈন্যৰ সংখ্যা সম্বন্ধে অলপ মতভেদ দেখা যায়। ছাৰ যদুনাথ চৰকাৰৰ মতে, ৰজাৰ লগত নিজৰ পৰা দৰ্মহা দিয়া ৪০০০ অশ্বাৰোহী সৈন্য, ১৫০০ পাদশ্যাহী আহাদি সৈন্য, আৰু ৫০০ হিলৈমৰা সৈন্য। কোচবেহাৰৰ পৰা সহায়কাৰী সৈন্য হিচাবে ১৫০০০ তীৰন্দাজে যোগ দিছিল, অৱশ্যে যুদ্ধাদি বিষয়ত তেওঁলোক ইমান পাৰ্গত নাছিল। বঙ্গদেশত চাকৰি কৰা সৈন্যৰে সহায়

কৰিবলৈ তাব চুবেদাবক সম্রাটে আদেশ দিছিল। "মাচিৰী-আলমগিৰ" নামে ইতিহাস গ্ৰন্থত ১৫০০ আহাদি আৰু ৫০০ হিলৈমবা সৈন্যৰ উল্লেখ আছে। কিন্তু বজাব দৰ্মহা খোৱা চাৰি হেজাব আৰু কোচবেহাৰৰ ১৫০০০ তীৰন্দাজৰ কোনো উল্লেখ নাই। এখন সমসাময়িক অসমীয়া বুৰঞ্জীত ৰামসিংহ বজাব সৈন্যৰ সংখ্যা এই-দৰে দিয়া আছে,—"সম্রাটে দিয়া ৩০০০০ চিপাহী; তেওঁৰ ভাই-ভতিজাক আদি কৰি ২১ জন ঠাকুৰ, ১৮০০০ তাজী তুৰকী চিপাহী, বজাব লগত কোচবেহাৰৰ পৰা আহিছিল কবিশেখৰ বৰুৱা, সৰ্ব্বেশ্বৰ বৰুৱা, মনমথ বৰুৱা, ঘনশ্যাম বকছী, আৰু ১৫০০০ ঢালি আৰু তীৰন্দাজ।" আৰু এখন বুৰঞ্জীৰ পৰা জনা যায় যে বঙ্গৰ চুবেদাৰ ছায়িষ্টা-খাঁই ২০০০ চিপাহীৰ ফৌজ এটা ৰামসিংহক দিছিল।

ৰামসিংহৰ সৈন্যবাহিনী গুৱাহাটী দুৰ্গৰ সমীপতে আছিল, আৰু অসমীয়া কটকীয়ে ঘনাই মোগল বাহৰলৈ যোৱাত তেওঁলোকে শত্ৰুসৈন্যৰ সংখ্যাৰ বিষয়ে নিৰ্ভুল বাতৰি সংগ্ৰহ কৰিব পাৰিছিল। অসম বুৰঞ্জীত দিয়া সংখ্যাও এই বাতৰিৰ পৰা লোৱা হৈছে। ৰামসিংহৰ দৰ্মহা খোৱা অশ্বাৰোহী, আহাদি আৰু হিলৈমবা সৈন্য আছিল সম্রাটে দিয়া মূল ফৌজ। একৈশজনা ৰাজপুত ঠাকুৰৰ সৈন্য, বঙ্গৰ চুবেদাৰ ছায়িষ্টা-খাঁই দিয়া সৈন্য আৰু কোচবেহাৰৰ সৈন্যই সেই মূল ফৌজৰ পৰিমাণ বৃদ্ধি কৰিছিল। আলাবৈ ৰণত আহোম ৰণুৱাৰে সৈতে যুদ্ধ কৰিবলৈ ৰামসিংহ বজাই দহ হাজাৰতকৈও অধিক সৈন্য পঠিয়াব পাৰিলেহেতেন বুলি আক্ষেপ কৰিছিল, ইয়াৰপৰা অনুমান কৰিব পাৰি যে তেওঁৰ সৈন্যৰ সংখ্যা অতি সৰহ আছিল। সেইদেখি অসম বুৰঞ্জীত লিখা সৈন্যৰ সংখ্যা বিশ্বাসযোগ্য নহয় বুলি দলিয়াই পেলাব নোৱাৰি।

ৰামসিংহ বজাব সৈন্যৰ সংখ্যা যিমান নহওঁক, এটা কথা ধ্ৰুপ যে তেওঁৰ সৈন্যতকৈ অসমীয়া সৈন্য অধিক পৰিমাণৰ আছিল।

গড়গাঁও ৰাজধানীত স্বৰ্গদেৱ চক্ৰধ্বজসিংহই শিক্ষা দিয়া সৈন্য সমষ্টিয়েই আছিল আহোমৰ মূল ফৌজ; তাৰ পিচত গুৱাহাটী আৰু তাৰ ওচৰৰ থানাবোৰত থকা সৈন্যবাহিনী, সামন্ত ৰজাসকল, জয়ন্তীয়া ৰজা আদি অন্য মিত্ৰ ৰজাসকলে পঠোৱা সৈন্যই উপৰুক্ত দুই মূল ফৌজৰ সৈন্যৰ সংখ্যা বৃদ্ধি কৰিছিল। ইয়াৰ বাহিৰেও গাঁৱে গাঁৱে আগন্তুক সৈনিক হব পৰা বয়সস্থ প্ৰজা অনেক আছিল, সিহঁতক অলপ সময়ৰ ভিতৰতে শিক্ষা দি ৰণলৈ পঠিয়াব পৰাৰ ব্যৱস্থা আছিল। ছাৰ যদুনাথ চৰকাৰে কৈছে যে আহোমে একলাখ সৈন্য গোটাব পাৰিছিল, এই কথা অতিৰঞ্জিত নহয়। ১৬৬৯ চনৰ ১০ ডিচেম্বৰ তাৰিখৰ আওৰঙ্গজেৱৰ চ'ৰাৰ এখনি বাতৰি-পত্ৰৰপৰা এই কথাটো প্ৰমাণিত হয়। তাত লিখা আছে,—"নিছাৰ-বেগ নামে আবোৱান-ধৰা বিষয়াই বঙ্গৰ চুবেদাৰক পাদশ্যাহী ফৰমান এখন দি উভতি যাওঁতে সম্ৰাটে তেওঁক অসমৰ সৈন্যৰ সংখ্যাৰ বিষয়ে সুধিলে। নিছাৰ-বেগে কলে যে ৰজা ৰামসিংহৰপৰা শুনা মতে অসমৰ পদাতিক আৰু অশ্বাৰোহী সৈন্যৰ সংখ্যা প্ৰায় একলাখমান হব। ইয়াৰ ভিতৰত অশ্বাৰোহীৰ সংখ্যা অতি তাকৰ"। লাচিত ফুকনৰ হাতত অনেক সৈন্য আছিল দেখি তেওঁ পৰ্বত আৰু পৰ্বতৰ নামনিত ন-হাত অন্তৰে অন্তৰে এজন সৈন্য, আৰু ইটো পৰ্বতে সিটো পৰ্বতে লগাই বন্ধা গড়ৰ ওপৰত ছয় হাত অন্তৰে একোটা ৰণুৱা থব পাৰিছিল। ব্ৰহ্মপুত্ৰৰ দুয়োপাৰে দূৰ্গৰ চাৰিওমেৰে এই ব্যৱস্থা প্ৰবৰ্ত্তিত আছিল। সৈন্যৰ সংখ্যা কম হোৱা বাবে ৰামসিংহই অতি সাৱধানে ৰণ কৰিবলৈ বাধ্য হৈছিল, কাৰণ জধাই-মধাই যুদ্ধ কৰি তেওঁ সৈন্য হানি কৰিবলৈ নিবিচাৰিছিল। ইয়াৰ বাহিৰেও ৰামসিংহৰ হানি হোৱা সৈন্য কাচিতহে পূৰণ কৰা হৈছিল।

ৰামসিংহই লগত মাথোন দুকুৰিখনহে যুদ্ধৰ নাওঁ আনিছিল বুলি উল্লেখ আছে। ইফালে মীৰজুমলাৰ লগত পোনতে ৩২৩ খন নানা ধৰণৰ যুদ্ধৰ নাওঁ আছিল, আৰু সেই নাওঁবোৰ পৰিচালনা